NARANGI ANCHALIK MAHAVIDYALAYA
বিদ্যা দদাতি বিনয়
ESTD: 1991 : NARANGI : GUWAHATI - 71


NARANGI ANCHALIK MAHAVIDYALAYA PHILOSOPHICAL FORUM
ESTD. - 2012

# স্বজ্ঞা

# SVAJÑĀ

## দৰ্শন বিভাগৰ আলোচনী

চতুৰ্থ সংখ্যা, ২০১৯



## নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়



DEPARTMENT OF PHILOSOPHY

Library Copy

NARANGI ANCHALIK MAHAVIDYALAYA PHILOSOPHICAL FORUM
ESTD. 2012

# SVAJÑĀ

# স্বজ্ঞা দৰ্শন বিভাগৰ আলোচনী

চতুৰ্থ সংখ্যা, ২০১৯

NARANGI ANCHALIK MAHAVIDYALAYA
GUWAHATI-71
LIBRARY

NARANGI ANCHALIK MAHAVIDYALAYA
বিদ্যা দদাতি বিনয়
ESTD: 1991 : NARANGI : GUWAHATI - 71

NARANGI ANCHALIK MAHAVIDYALAYA
**Narangi, Guwahati-781071**

'স্বজ্ঞা' (SVAJNA) দৰ্শন বিভাগৰ আলোচনী, নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়
ফিল'চফিকেল ফৰামৰ দ্বাৰা প্ৰকাশিত, গুৱাহাটী-১৭১

## সম্পাদনা সমিতি

উপদেষ্টা ঃ **ৰীতা দত্ত হাজৰিকা**, অধ্যক্ষ

**সেবিকা দাস**, মুৰব্বী, দৰ্শন বিভাগ

### শিক্ষক পৰ্যবেক্ষক

১। ড" কৰবী গোস্বামী

২। পিঙ্কুমনি বৰ্মন

৩। গৰিমা শইকীয়া

**সম্পাদিকা** ঃ কৰবী কলিতা (৫ম ষাণ্মাসিক)

**সদস্য** ঃ পূজা বিশ্বাস (৫ম ষাণ্মাসিক)

কপিল কলিতা (৩য় ষাণ্মাসিক)

হিৰকজ্যোতি ৰয় (১ম ষাণ্মাসিক)

দিপাংকৰ ডেকা (১ম ষাণ্মাসিক)

বেটুপাত ঃ পান্টন মাৰাক

# অধ্যক্ষৰ কলম



আমাৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ স্বজ্ঞা (SVAJÑĀ) আলোচনীখনে চতুৰ্থ সংখ্যাক প্ৰকাশৰ আয়োজনৰ কথা জানি সঁচাকৈয়ে সুখী হৈছো। এটা বিভাগৰ আলোচনীখনে বিভাগটোৰ ছাত্ৰ-ছাত্ৰীৰ জ্ঞান, ৰুচি, পৰিকল্পনা আৰু সপোন প্ৰতিফলিত কৰে, দৰ্শন বিভাগৰ শিক্ষাৰ্থীসকলৰ সপোনবোৰ বাস্তৱায়িত হওঁক। আগুৱাই যাওঁক সকলো দিশত সেই কামনাৰে।

**ৰীতা দত্ত হাজৰিকা**

ভাঃ অধ্যক্ষ

নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

৩০-০৮-২০১৯

# MESSAGE



It gives me immense pleasure to know that the students of our department are going to publish the fourth issue of the annual magazine (SVAJÑĀ). A magazine is the mirror of the concerned body, where different types of creativites are accumulated from the centributors and I believe SVAJÑĀ will be able to fulfill the expectations, I hope the readers will enjoy the magazine and will very well accept it.

Wishing all the success in the mission.

**Sebika Das**
H.O.D.
Philosophy
Narengi Anchalik Mahavidyalaya



# সম্পাদিকাৰ দুআষাৰ...

সাহিত্যই এখন সমাজৰ ইতিহাসৰ বিষয়ে বৰ্ণনা দিয়ে। সাহিত্যৰ জৰিয়তে এটা জাতিৰ অস্তিত্ব চিৰযুগমীয়া হৈ ৰয়। ঠিক তেনেদৰে দৰ্শন বিভাগৰ "স্বজ্ঞা" আলোচনীখনেও আমাৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাধাৰাৰ প্ৰতিফলন ঘটাই ইয়াৰ চিৰযুগমীয়া কৰাত সহায় কৰে। সেইবাবে বিগত তিনিবছৰৰ দৰে এই বছৰো দৰ্শন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে আলোচনী "স্বজ্ঞা" উলিয়াবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। আমাৰ বিদ্যালয়ৰ আলোচনীৰ সম্পাদিকাৰ দায়িত্ব দি ছাত্ৰ-ছাত্ৰীসকলে মোক গুৰু দায়িত্ব অপৰ্ণ কৰাৰ বাবে নিজকে ধন্য মানিছো। মোৰ সীমিত জ্ঞানেৰে সেৱা আগবঢ়াই কিমান সফল হ'ব পাৰিছো মই নাজানো, আপোনালোকৰ বিচাৰ্য। পোন প্ৰথমে মই আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া শ্ৰী ৰীতা দত্ত হাজৰিকা বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। আমাৰ বিভাগীয় মুৰব্বী সেৰিকা দাস বাইদেউৱে আলোচনী প্ৰকাশ কৰাত উৎসাহ যোগাই আহিছে। তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে ড॰ কৰবী গোস্বামী বাইদেউ, পিংকুমণি বৰ্মন বাইদেউ আৰু গৰিমা শইকীয়া বাইদেউৱে এই আলোচনীখন প্ৰকাশ কৰিবলৈ সকলো দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। শেষত আলোচনীখন উলিওৱাত সহায় সহযোগিতা কৰা বাবে আমাৰ বিভাগৰ সকলো ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিলো।

সৰ্বশেষত সম্পাদনাত হোৱা ভূল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি "স্বজ্ঞা"ৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে আলোচনীখনৰ ভৱিষ্যত উন্নতি কামনা কৰিলো।

জয় দৰ্শন বিভাগ

জয় "স্বজ্ঞা"

জয় নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

**কৰবী কলিতা**

(৫ম যান্মাসিক), দৰ্শন বিভাগ

# সূচীপত্ৰ

## কবিতা শিতান

**Banana Amma** ■ Meenakshi Sarma, *Ex. Student*/৭
মৰমৰ এষাৰি মাত ■ ধৃতিমা কলিতা, *১ম ষাণ্মাষিক*/৮
আইৰ গৰ্ভ ■ চন্দনা দেৱী, *৩য় ষাণ্মাষিক*/৮
মোৰ জীৱনেই কাইটীয়া প্ৰিয়া ■ নমিতা ৰাণী দাস, *১ম ষাণ্মাষিক*/৯
দাপোণ ■ দিৱস নাথ, *১ম ষাণ্মাষিক*/১০
অচিন চিনাকী ■ জুমি বৰ্মন, *৩য় ষাণ্মাষিক*/১০
সময় ■ কপিল কলিতা, *৩য় ষাণ্মাষিক*/১১
জীৱনৰ ৰং ■ পুনম গৌতম, *১ম ষাণ্মাষিক*/১২
নিঃশব্দতা আৰু মই ■ প্ৰিয়ংকা ৰয়, *৩য় ষাণ্মাষিক*/১২
বলিয়া বানৰ তাণ্ডৱ ■ নৱনিতা হালৈ, *১ম ষাণ্মাষিক*/১৩
বানপানী ■ ডিম্পল মেধি, *১ম ষাণ্মাষিক*/১৩
অ'মা ■ সঞ্জীত খাখ্লাৰী, *৩য় ষাণ্মাষিক*/১৪
অনুভৱ ■ পাহি বড়ো, *১ম ষাণ্মাষিক*/১৪
শেষ কথা, **Me with You** ■ সৰস্বতী দে, *১ম ষাণ্মাষিক*/১৫

## প্ৰবন্ধৰ শিতান

আমাৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগ ■ কৰবী কলিতা, *৫ম ষাণ্মাষিক*/১৬
জীৱন দৰ্শন ■ মিনাক্ষী দাস, *৩য় ষাণ্মাষিক* /১৮
বৰ্তমান যুগত মোবাইল ফোনৰ প্ৰাসংগিকতা ■ পূজা বিশ্বাস, *৫ম ষাণ্মাষিক*/১৯
একলব্যৰ গুৰুৰ দক্ষিণা ■ পূৰবী সিন্‌হা, *৩য় ষাণ্মাষিক*/২০
অনুপ্ৰেৰণাৰ অন্য নাম প্ৰাঞ্জল পাটিল ■ প্ৰীতিস্মিতা হালৈ, *১ম ষাণ্মাষিক*/২২
স্বাধীনতা-মোৰ অনুভৱ ■ নৱনীতা দাস, *৫ম ষাণ্মাষিক*/২৪
মানৱতাবাদ ■ দিপাংকৰ ডেকা, *১ম ষাণ্মাষিক*/২৬
সমাজ দৰ্শন ■ নিতা কলিতা, *৫ম ষাণ্মাষিক*/২৭
**Rene Descartes** ■ Aparna Choudhury, *3dr Sem.* /২৮
অনুশাসন আৰু স্বাধীনতা ■ ৰুমা আৰ্য, *৫ম ষাণ্মাষিক*/২৯
ইণ্টাৰনেট ■ মনিষা দাস, *১ম ষাণ্মাষিক*/৩১
মিছাইল মানৱ ■ নেহা ধৰ, *৫ম ষাণ্মাষিক*/৩২
সুযোগ কি? ■ কবিতা দেৱী, *৩য় ষাণ্মাষিক*/৩৪
**Computer** ■ Kalyan Rajbongshi, *1st Sem.* /৩৫
দুঃ স্মৃতি ■ বৰষা বৰ্মন, *৩য় ষাণ্মাষিক*/৩৬
**Whatsapp/ facebook** ■ Pranton Marak, *5th Sem.* /৩৮
মানুহৰ চৰিত্ৰ গঠনত নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা ■ পূজা বৰা, *৫ম ষাণ্মাষিক*/৪০
Department of Philosophy RESULTS-2019 /৪৩
Some Great Philosophers /৪৪

# THE BANANA AMMA

**Meerashi Sarma**
*Ex-student*

The snowy mist is milking the city today,
Even the beggars are putting a robe.
It's the begining of winter.
The Banana-Amma is in her green shawl Dark,
dusty, stinky,
Incongruous to her smutty skin
The lower portion is wobbing and fastening to the
motten parts.
Her eyes seemed rotten more
Than her shawl,
As she observed the unsold, half rotten Bananas.
Beside her, lying an ebony kid.
"She is my Natin"- She said.
Her anstere eyes staring at ano then girl of her age,
Nibbling ice-cream.
The austerity of her eyes moved
From her mouth to stomach
As she observes the girl.
Banana Amma offered four bananas to her,
All are rotten.
But she grabbed them all
As the raplica of ice-cream.
Now the austerity turned to
Banana Amma's eyes.
She started begging her customers.



# মৰমৰ এষাৰি মাত

ধৃতিমা কলিতা
*১ম ষাণ্মাষিক*

আপোনজনৰ মৰমৰ এষাৰি মাতেই
মোৰ বাবে সৰগীধাম।
তোমাৰ মাত অবিহনে
মই হ'ম শিল পৰা কপৌ।
তোমাৰ মৰমৰ মাত এষাৰিয়ে
মন্দিৰ, মচজিদ, গীৰ্জা।
তুমি মৰমত মাতা এষাৰি মাত ধুনু বুলি
মোৰ মনলৈ আনে সজীৱতা,
গতিশীলতা, কৰ্মদক্ষতা
সচাঁ হাঁহিৰে হাঁহিব পাৰোঁ
এষাৰি মাতৰ বাবে।
তোমাৰ মৰমৰ মাত এষাৰিয়ে হৰি নিয়ে
খং, ক্ষোভ, চিন্তা, কলুষতা।
উন্নতিৰ শিখৰ চুব পাৰোঁ
এষাৰি মৰমৰ মাতৰ বাবে।
মৰমৰ মাত অবিহনে
কৰ্মৰ সাধনা অসম্ভৱ।
কামত মন বহাব নোৱাৰো
এষাৰি মৰমৰ মাত অবিহনে।
আপোনজনৰ মৰমৰ মাতক
কি নাম দিম প্ৰেম নে, মৰম নে শ্ৰদ্ধা।❖



# আইৰ গৰ্ভ

চন্দনা দেৱী
*৩য় ষাণ্মাষিক*

আইতাৰ গৰ্ভয়ে ভাল আছিল
এন্ধাৰ হলে শান্তিৰ জোন ওলাইছিল,
ৰাতিপুৱাৰ সূৰ্যৰ পোহৰে হাঁহিৰ কিৰণ
কঢ়িয়াই আনিছিল,
আইতোৰ গৰ্ভয়ে ভাল আছিল,
তাত পাপ পূণ্য, ধৰ্ম অধৰ্মৰ ঠাই নাছিল।
জন্মলৈ চোৱা গৈছিল মোৰ কোমল
পৱিত্ৰ দেহা,
এতিয়া জগতত চলে মানৱতাৰ
নিষ্ঠুৰতাৰ বেহা...❖

# মোৰ জীৱনেই কাঁইটীয়া প্ৰিয়া

নমিতা ৰাণী দাস
*১ম ষান্মাষিক*



মোৰ জীৱনেই কাঁইটীয়া প্ৰিয়া
কেনেকৈ কওঁ তোমাক?
পদূলি মূৰত বাট চাই নৰ'বা মোলৈ
আজি আছোঁ কালি নাথাকিবও পাৰো
নিতৌ বিচৰণ কৰোঁ কাঁইটৰ মাজত।
নাজনো কোনটো বাৰুদ নষ্ট কৰিব
নাজানো কেতিয়া কোনটো গুলিয়ে
ভেদিব মোৰ দেহ
হয় প্ৰিয়া মৃত্যু মোৰ চাৰিওফালে
সদায় ঘূৰে
মোৰ জন্ময়ে মৃত্যুৰ বাবে
নাজানো মানুহ মানুহৰ শত্ৰু কিয়?
তোমাৰ বাবে এপাহ গোলাপ
আনিছিলা প্ৰিয়া
মাজ বাটতে ৰঙা গোলাপ তেজেৰে
ৰাঙলী হ'ল
তুমি মোক ভুল নুবুজিবা প্ৰিয়া
ক্ষমা কৰি দিয়া এইটো জনমত
আমাৰ সপোনবোৰ
দিঠক কৰিব নোৱাৰিলোঁ!
আমাৰ পোনাটো কেনে আছে?
আশা কৰোঁ মোৰ আধৰুৱা কাম সি কৰিব
দেশ মাতৃৰ সুৰক্ষাৰ বাবে বীৰ সৈনিক হ'ব
তুমি নাকান্দিবা কিন্তু, মই চাব নোৱাৰিম।
দুখ নকৰিবা আহিম মই তোমাৰ সপোনত।
মা আৰু ভণ্টিক ৰাখিবা ভালকৈ
তোমাৰ বাহিৰে এতিয়াটো তেওঁলোকৰ
কোনো নাই।
মোৰটো জীৱনেই কাঁইটীয়া
কাৰণ মই সৈনিক। কিন্তু!
এটা প্ৰশ্ন মোৰ মনত উদয় হয়
আশাৰ শৰীৰ ছেদেলি-ভেদেলি কৰা
বোমাটো কোনে ৰাখিলে?
তেওঁ মানৱ! নে দানৱ!
মোৰটো জীৱনেই কাঁইটীয়া।❖

# দাপোণ

**দিৱস নাথ**
*প্ৰথম ষাণ্মাষিক*


হাতত কাগজ কলমলৈ সাজু হলো
এটি কবিতা লিখিম বুলি।
ক'ৰ পৰা আৰম্ভ কৰিম
এন্ধাৰ নে পোহৰৰ?
এন্ধাৰৰ পৰা প্ৰতিবিম্ববোৰ
স্পষ্ট দেখা যায়.
পোহৰত চোন প্ৰতিবিম্ববোৰ
চিনিব নোৱাৰা হয়।
মোৰ কবিতাৰ শব্দই মানুহৰ মাজত
বিচাৰি ফুৰে মানৱতাৰ সুৱাস,
ৰ'দৰ কাঁচলিত দেখা পায় জীৱনৰ
মাধুৰ্য্য।
ক্ষন্তেকৰ বাবে এন্ধাৰক
একাষৰীয়া কৰি থওঁচোন!
তেতিয়াহে তেজৰ ডোঙাবোৰ
এন্ধাৰত লুকাব
চকমক বিজুলীয়ে কলীয়া ডাৱৰ ফালি,
তৰা আৰু জোনৰ মেলা পাতিব।❖

# অচিন চিনাকী

**জুমি বৰ্মন**
*তৃতীয় যান্মাষিক*

এদিন আহিছিলো অচিনাকি হৈ
শূণ্যতাৰ মাজত নিজক
বিচাৰি পাবলৈ
নাজানো এই শূণ্যতাৰ পৃথিৱীত
কেতিয়া, ক'ত, কেনেকৈ উটি গ'ল
মনৰ মাজত থকা
এই অচিনাকি ভাৱবোৰ
অচিনাকিবোৰেও যেন লাগিব
ধৰিছিল আপোন
কিন্তু সেয়া হয়টো এটা ভ্ৰম
অচিনাকি সদায় অচিনাকি হৈ থাকিল
আকৌ নিজৰ শূণ্যতাৰ তই এই
পৃথিৱীখনত
অচিন চিনাকি হৈ এ ৰ'লো।।❖

# সময়



**কপিল কলিতা**
*তৃতীয় যান্মাষিক*

গৈ আছে যেন এই সময় কোনোৱে নজনাকৈ
কাৰো বাবে থকা নাই যেন ৰৈ এই সময়
হব ধৰিছে অতীত বৰ্তমান জীৱনৰ এটি এটি ক্ষণ
যেনেকৈ নদীয়ে লৈ যায় সকলোবোৰ উটুৱাই
সময়েও লৈ গৈছে উটুৱাই সকলোৰে সুখ দুখবোৰ
কাৰোবাৰ জীৱনলৈ সুখ গুচি নামি আহে দুখ
কাৰোবাৰ আকৌ দুখ গুচি আহে সুখ।
যদি ৰৈ যায় এই সময় নহব চাগে একো অনুভৱ
নোহোৱা হৈ ৰ'ব এই আধুনিকতাৰ ব্যস্ত সমাজ নাইকীয়া হব
দুষ্টৰ দুষ্টালি আৰু ভদ্ৰৰ ভদ্ৰতা
নহ'ব যেন এই ধৰাত কোনো প্ৰাণীৰ জন্ম মৃত্যু
ৰৈ যাব যেন আমাৰ শৰীৰৰ সেই চলন্ত তেজ।❖

Holding onto anger is like drinking poison and expecting the other person to die.

*Buddha*

No man's knowledge here can go beyond his experience.

*John Lock*

Happiness is not an ideal of reason but of imagination.

*Immanual Kant*

# জীৱনৰ ৰং

**পুনম গৌতম**
*প্ৰথম ষান্মাষিক*

জীৱন এক দীঘলীয়া পথ,
য'ত এখোজ দুখোজকৈ আগুৱাই গলো
গৈ গৈ বহু মূল্যৱান বস্তু পালো,
তাক আকৌ হেৰুৱাই দিলো।
হেৰুৱাই দিলো মই সেই বন্ধুত্ব
হেৰুৱালো সেই ধুনীয়া ছবি,
যি ছবিত আছিল মোৰ জীৱনৰ ৰং।
সময়ৰ লগত তীব্ৰ বেগত
আকৌ আগুৱাই গলো, গৈ গৈ
পালো এক কৃত্ৰিমতাৰ জগত
দেখিলো তাত কেৱল নিজ স্বাৰ্থ
পূৰণৰ হকে যুঁজিছে সকলোৱে।
সেই কৃত্ৰিমতাৰ জগতত
বিচাৰি ফুৰিছোঁ মই মোৰ জীৱনৰ ৰং
নাই তাত মোৰ সেই বন্ধুত্ব,
নাই সেই ধুনীয়া ছবি,
নাই মোৰ জীৱনৰ ৰং
এই কৃত্ৰিমতাৰ জগতত।।❖



# নিঃশব্দতা আৰু মই


**প্ৰিয়ংকা ৰয়**
*তৃতীয় ষান্মাষিক*

গভীৰ নিশাৰ নিঃশব্দতাত
সাৰ পাই উঠো মই,
মায়াসনা জোনাকত উমলি ফুৰো
চাৰিওফালে মাথোঁ।
জোনাক, জোনাক আৰু জোনাক......
জোনাকে সাবটি ধৰা নিশাবোৰত
টিপ-টিপ বৰষুণ সৰিলে
উন্মাদনাত কাতৰ হৈ পৰো মই।
অ' মোৰ হেঁপাহৰ জোনাক....
মেলি দিয়া তোমাৰ দুহাত,
মোক আকোৱালি ল'বলৈ আৰু
জোনাকৰ বৰষুণত তিতিবলৈ। ❖

# বলিয়া বানৰ তাণ্ডৱ

ৱনিতা হালৈ
*প্ৰথম যান্মাষিক*

লিয়া বান আজি আকৌ আহিছে
পোনৰ ঘৰখন উটুৱাই নিবলৈ।
কিমান সহিম আৰু ??
লিয়া বানৰ তাণ্ডৱ!
যাৱা বছৰৰ তাণ্ডৱৰ পাছত
মাশাৰ বালিঘৰ সাজিছিলোঁ মই
মাকৌ আহিল বলিয়া বান
নিৰাশাৰ সপোন ৰচিবলৈ।
জলমগ্ন আজি পথাৰৰ খেতি
াৰিওফালে মাথো পানী আৰু পানী
গোহালিৰ গৰু আজি ক'ত
ই নাজানো...।
াঁড়ালৰ কুকুৰা ক'ত
ই নাজানো...।
ভয়ে ভয়ে আছোঁ জীয়াই
াথাউৰিৰ পাৰত জীৱন কটাই
ৰুখা পঁজা আজি মোৰ পানীৰ তলত।
ীলা পানীবোৰ আজি ৰঙা ৰঙা লাগিছে
যেন মোৰ হৃদয়ৰ তেজৰ চেকুঁৰা বৈছে।
াহিবি বান আতংক হৈ
মামাৰ সুখবোৰ পানীৰে বোৱাবলৈ।
াহিবি বান আতংক হৈ
াপোনৰ ঘৰখন ভাগি চূৰ্ণ-বিচূৰ্ণ কৰিবলৈ।



# বানপানী

ডিম্পল মেধি
*প্ৰথম যান্মাষিক*

বৰষুণ আহিল হিৰ-হিৰ কৰি
বাঢ়ি গ'ল নৈ বিলৰ পানী
নিমিষতে উটুৱাই নিলে ঘৰবাৰী
এনেকৈ সৃষ্টি হয় বানপানী।
সৃষ্টি হয় অবৰ্ণনীয় পৰিস্থিতি
মথাউৰি হৈ পৰে আশ্ৰয়স্থলী
নোহোৱা হৈ পৰে বিলাই-বিপত্তি
জীৱকূল হৈ পৰে জলবন্দী।
বন্যাৰ্তই কটায় বিনিদ্ৰ ৰজনী
জীৱনৰ সংগী হয় পশু-পক্ষী
বৃদ্ধি পায় সীমাহীন দুখ-দুৰ্গতি
অভিশাপ হৈ পৰে বানপানী।
ধৰালৈ নাহক প্ৰবল বৃষ্টি
নহওক কেতিয়াও সংহাৰী পানী
নিবিচাৰো কটাব বিনিদ্ৰ ৰজনী
সকলোৱে বিচাৰো ঈশ্বৰৰ সুমতি।

# অ' মা

**সঞ্জীত খাখলাৰী**
*তৃতীয় যান্মাষিক*

অ' মা চোৱা কোন আহিছে
ঘৰ-দুৱাৰ যেন লৰি ফুৰিছে।
চৰাই-চিৰিকটিয়ে যেন কিবা ক'ব খুজিছে
ভয়তে মোৰ যেন বুকু কঁপিছে।
মই সৰু ল'ৰা বুলি ঘৰ নাচিছে
অকলে দেখি মোক ভয় দেখাইছে।
অ' মা চোৱা কোন আহিছে
ঘৰৰ সকলো বস্তু যেন লৰি নাচিছে।
শিশুটিৰ কান্দোন শুনি
মাক ল'ৰ মাৰিছে
বুকুত আজলি শিশুটিক লৈ
মৰম কৰিছে।
শিশুটিয়ে ক'লে, মা
চোৱা কি আহিছে।
ঘৰখন কঁপি কঁপি লৰি চৰিছে
তাকে দেখি মোৰ যেন ভয় লাগিছে।
মাকে সৰু হাঁহি দি শিশুটিক ক'লে
ভয় তোমাৰ মনত আছে।
সাহস অলপ কম
সাহস হৈ মই তোমাৰ চিৰকাল ৰম।



# অনুভৱ


**পাহি বড়ো**
*প্ৰথম যান্মাষিক*

তুমি যদি সকলোৰে পৰা
সূৰ্যৰ দৰে প্ৰশংসা পাব খোজা
তেনেহ'লে তুমি সূৰ্যৰ দৰে
নিজকে পুৰি পেলাব লাগিব
তেতিয়াহে সকলোৰে পৰা
প্ৰশংসাৰ সুযোগ পাবা।
তুমি ধুনীয়া ব্যক্তি নহ'লেও
তুমি সকলোকে
সহায় সহযোগিতাৰ হাত
আগবঢ়াব পাৰা।
কাৰণ সৌন্দৰ্য মুখ-মণ্ডলত নহয়
অন্তৰতহে লুকাই থাকে।

# শেষ কথা

সৰস্বতী দে
*প্ৰথম ষান্মাষিক*

চোখের সমান দূরে যখন
সূর্য ডুবে যায়
একলা এসে পায়ে পায়ে
দাড়াই বারান্দায়...
ডুবতে থাকা সময় আমার
ডুবতে থাকা আলো
কিযেন কি বলতে চেয়েও
কালোয় মিশে গেল...।
শেষ কথাটো বলতে ওরা
পারলোনা যে আর,
বলার আজেই নেমে এল
রাতের অন্ধকার...
এমনি ভাবেই তোমার আমার
বৃদ্ধ মোহনায়...
শেষ কথারা অনন্তকাল
বাকিই থেকে যায়।
*(যেনেকুৱা সন্ধ্যাত সূৰ্য একো*
*নোকোৱাকৈ ডুব যায় আৰু এন্ধাৰ নমায়*
*আনে তেনেকুৱাই যেন তোমাৰ আৰু*
*মোৰ বৃদ্ধ সময়ত, শেষ কথাৰ অন্তকাল*
*বাকী ৰৈ যায়।)*



# Me with You

**Saraswati Dey**
*1st sem.*

I almost gave up in my life;
Till magnifecent love
Louches me through you.
Now wew well face
the obstacles of life together.
I really want this to be a routine
that will last forever.
When I was alone
I can't stand on my own:
Then heaven sant you hare
When the angels had flown.
Sine then I become so stronger
then ever.
Look up to promise
That will leave you never.



# আমাৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগ

**কৰবী কলিতা**

*পঞ্চম ষান্মাষিক*

'দৰ্শন' শব্দটিৰ অৰ্থ হ'ল জ্ঞানৰ প্ৰতি থকা অনুৰাগ। দৰ্শনে এই জগতখনৰ আভ্যন্তৰীণ আৰু বাহ্যিক সত্ত্বাৰ আটাইবোৰকে সামৰি বিশ্লেষণ আৰু সংশ্লেষণমূলক অধ্যয়ন কৰে। এজন ব্যক্তিৰ ব্যক্তিত্ব তেওঁৰ জীৱন দৰ্শনৰ ওপৰত বাৰুকৈয়ে নিৰ্ভৰ কৰে। মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ ৫ম ষান্মাষিকৰ ছাত্ৰী হিচাপে আমাৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগটিৰ বিষয়ে এটি বিৱৰণ দাঙি ধৰিবলৈ বহু আগৰ পৰাই মন কৰি আছিলো। সুযোগটো পায় বাৰুকৈয়ে নিজকে ধন্য মানিছো। চাৰিজনীয়া শিক্ষাগুৰুৱে সূচাৰুৰূপে পৰিচালিত এই বিভাগটিৰ মুৰব্বী হ'ল শ্ৰদ্ধাৰ সেবিকা দাস বাইদেউ, বাইদেউৰ আটাইতকৈ আকৰ্ষণীয় দিশটো হ'ল যিকোনো কাৰ্যৰ ভূল-ভ্ৰান্তিবোৰ ধৰি, তাক সহজ কৌশলেৰে সমাধান কৰা। আনহাতে প্ৰত্যেকজন শিক্ষাৰ্থীয়ে নিজৰ শিক্ষাগুৰুজনক বন্ধু সুলভ ভাৱে পাবলৈ বিচাৰে, যাৰ বাস্তৱিক উদাহৰণ আমাৰ বিভাগৰ ড° কৰবী গোস্বামী বাইদেউক নিশ্চয় ৰূপে দিব পাৰি। তেওঁৰ প্ৰেৰণাদায়ক কথাবোৰ সকলো জটিলতা যেন নাইকীয়া কৰি পেলাই আকৌ কোনো টান বিষয় এটা সহজ আৰু জীৱনৰ লগত সংগতি ৰাখি কেনেকৈ বুজাব পাৰি তাক আমাৰ বিভাগৰ গৰিমা শইকীয়া বাইদেৱে বিশেষ ধৰণে জানে। দৰ্শনৰ নিচিনা ঐতিহাসিক বিষয়টিত তেওঁ আধুনিকতাৰ বহু কথা যথাসম্ভৱ সংলগ্ন কৰি

আমাক আধুনিক দৰ্শনৰ নতুন নতুন জ্ঞান প্ৰদান কৰি থাকে। প্ৰতিটো বিষয়ৰ লগত সংগতি ৰাখি বাস্তৱ জীৱনৰ সৈতে জড়িত উপদেশ প্ৰদান কৰি থাকে আমাৰ বিভাগৰ পিঙ্কুমণি বৰ্মন বাইদেৱে।

দৰ্শনে ধৰ্ম, ইতিহাস, ৰাজনীতি, নাৰীবাদ, সাহিত্য, বিজ্ঞান, পাশ্চাত্যৰ ধাৰণা, সমাজবাদ, অৰ্থনীতি, নৈতিকতা, শিক্ষা আদি সকলো বিষয় সামৰি লয়। এই আটাইবোৰ বিষয়ৰ সৈতে প্ৰত্যেকজন ব্যক্তি জড়িত। যাৰ বাবে দৰ্শন গোটেই মানৱ জাতিৰ সৈতে জড়িত। সেয়েহে, আমাৰ মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাত পাঠ্যক্ৰমৰ বিষয়বস্তুৰ লগতে জীৱনৰ বাস্তৱ সত্য তথা জীৱনৰ সমস্যাবোৰৰ মাজেৰে কেনেকৈ সুখ আৰু শান্তিৰে জীৱনটো অতিবাহিত কৰিব পাৰি তাৰ জ্ঞানো প্ৰদান কৰা হয়। সেইবাবে দৰ্শন বিভাগৰ প্ৰত্যেকজন ব্যক্তি ওতঃপ্ৰোত ভাৱে জড়িত।

৫ ছেপ্তেম্বৰৰ দিনাখন শিক্ষক দিৱস উদ্‌যাপন কৰাৰ লগতে, নতুনকৈ দৰ্শন বিভাগটো বাচি লোৱা ছাত্ৰ-ছাত্ৰীসকলক আমাৰ বিভাগটোৱে আদৰ আৰু চেনেহেৰে আকোৱালি লয়। মহাবিদ্যালয়ৰ প্ৰত্যেকটো কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে চাফ-চিকুণতা আৰু পৰিপাটি দৰ্শন বিভাগৰ প্ৰত্যেকজন সদস্যই পালন কৰা দেখা যায়। প্ৰকৃতিৰ প্ৰতিও যেন আমাৰ বিভাগটোৰ এটা বিশেষ সম্পৰ্ক আছে যাৰ বাবে ভ্ৰমণৰ ঠাই হিচাপে আমি প্ৰকৃতিৰ প্ৰাণ থকা ঠাইবোৰে ভ্ৰমণ কৰি ভাল পাওঁ। প্ৰত্যেক বছৰে আমাৰ বিভাগৰ বাইদেউসকলে প্ৰকাশ কৰা “দৃষ্টি” ৰিচাৰ্জ জাৰ্নেলৰ পৰা আৰম্ভ কৰি বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰকাশ কৰা “স্বজ্ঞা” আলোচনীৰ কথা লেখত ল'বলগীয়া। দুয়োখনে মহাবিদ্যালয়ৰ সকলোৰে পৰা আদৰ পাবলৈ সক্ষম হৈছে। দৰ্শন বিভাগৰ আটাইতকৈ স্মৰণীয় দিনটো হ'ল প্ৰত্যেক বছৰৰ নৱেম্বৰ মাহৰ তৃতীয় বৃহস্পতিবাৰটো, সেইদিনা গোটেই বিশ্বৰ লগতে আমাৰ মহাবিদ্যালয়েও বিশ্ব দৰ্শন দিৱস হিচাপে পালন কৰি আহিছে, একেদিনাই আমাৰ বিভাগটোৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হয়, তেওঁলোকে নিজৰ অভিজ্ঞতাৰ কথা সকলোৰে আগত দাঙি ধৰাৰ লগতে আন ছাত্ৰ-ছাত্ৰীসকলক নিজৰ লক্ষ্যত উপনীত হ'বলৈ অনুপ্ৰেৰণা যোগায়।

শেষত ক'বলৈ গ'লে দৰ্শন বিভাগটো হ'ল আমাৰ মহাবিদ্যালয়ৰ এক অভিন্ন অংগ। এই বিভাগটোত প্ৰত্যেকজন ব্যক্তিয়ে নিজৰ জীৱনৰ দৰ্শন বিচাৰি পাবলৈ সক্ষম হৈ আহিছে। নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ এটি জাকত জিলিকা বিভাগ হিচাপে যেন দৰ্শনৰ বিভাগটো সদায় জিলিকি থাকে। ঃঃ

# জীৱন দৰ্শন

**মিনাক্ষী দাস**

*তৃতীয় ষান্মাষিক*

জীৱনটো বৰ কঠিন। জন্মৰ পৰা মৃত্যুলৈকে আমি তিতা-মিঠা, সুখ-দুখৰ বিভি সমস্যাৰ সন্মূখীন হ'বলগীয়া হয়। এই জীৱনটোৰ পৰা আমি বহুতো অভিজ্ঞতা লাভ কৰো।এ অভিজ্ঞতাসমূহৰ বাবেইআমি জীয়াই থাকিবলৈ প্ৰেৰণা পাওঁ। তাৰ মাজতো আমি কেতিয়া নিজকে বৰ ভাগৰুৱা অনুভৱ কৰোঁ। সুখবোৰক যেন আমি উপভোগ কৰিব পৰা নাই পোৱাখিনিক লৈ সন্তুষ্ট নাথাকি কেৱল নোপোৱাৰ পিছতহে দৌৰি ফুৰো। দায়িত্ববোৰ যেন আমি সমস্যা বুলি ভাৱি জীৱনটো দুখময় কৰি তোলো। এয়াই জানো জীৱন। আচলতে মৰিচিকাৰ পিছে পিছে দৌৰি আমি জীৱন দৰ্শনৰ কথা পাহৰি গৈছো। পোৱাখিনিক লৈ কেতিয়াও সুখী হ'ব পৰা নাই।

জীৱনটো সুন্দৰ আৰু সফল কৰিবলৈ হ'লে আমি কু-চিন্তা পৰিহাৰ কৰি পৰোপকাৰী হ'বলৈ চেষ্টা কৰিব লাগিব। সৎ চিন্তাই মানুহৰ মনত সদায় আনন্দ দিয়ে।

জীৱন দৰ্শনৰ মূলবস্তু হ'ল— সৎ চিন্তা কৰি কাৰো ক্ষতি নকৰাকৈ জীৱনটো সুন্দৰভাৱে চলাই যোৱা। সমস্যাসমূহক সমস্যা বুলি নাভাৱি দায়িত্ব বুলি ভাৱিব লাগিব তেতিয়াহে আমাৰ জীৱনটো সুন্দৰ হ'ব।

আজিকালি এচাম মানুহে প্ৰায়ে কিছুমান ভ্ৰান্ত ধাৰণাৰ বলি হৈ জীৱনটো অশান্তিময় কৰি তোলে। সুখ বিচাৰি বিচাৰি আচলতে দুখকহে আকোৱালি লয়। অচেতন মনৰ সংগ লৈ নিজকে কষ্ট দি ভালপায়। জীৱনটো সুন্দৰ কৰিবলৈ হ'লে আমি সদায় একগোট হৈ থাকিব লাগিব। সদায় ভাল চিন্তা কৰিবলৈ চেষ্টা কৰিব লাগিব। যিকোনো পৰিস্থিতিৰ সন্মূখীন হৈ নিজৰ মনটোক দমন কৰিব পাৰিব লাগিব। পাৰস্পৰিক ভেদাভেদ পৰিহাৰ কৰাৰ লগতে অহং ভাৱ বিনাশ কৰিব লাগিব। নিজকে কেতিয়াও সৰ্বোচ্চ বুলি নাভাবি আনৰ সুখত সুখী আনৰ দুখত দুখী হ'ব পৰা ক্ষমতা থাকিব লাগিব। জীৱন দৰ্শনৰ মাদকতা অনুভৱ কৰিব পাৰিলেহে আমি শান্তিত জীয়াই থাকিব পাৰিম।

গতিকে জীৱনটোত সুখী হ'বলৈ হ'লে আমি নিৰাশ নোহোৱাকৈ থাকি যিকোনো পৰিস্থিতিৰ সন্মূখীন হ'ব পাৰিব লাগিব। জাতি-ধৰ্ম-বৰ্ণ সকলোকে সমান চকুৰে চাব পৰাটোৱেই হৈছে প্ৰকৃত ধৰ্ম। ঃঃ

# বৰ্তমান যুগত মোবাইল ফোনৰ প্ৰাসংগিকতা

**পূজা বিশ্বাস**
*পঞ্চম ষান্মাষিক*

বৰ্তমান যুগটো বিজ্ঞানৰ যুগ। বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰে মানুহক বহু দূৰলৈ আগবঢ়াই লৈ গৈছে। এই আৱিষ্কাৰ সমূহৰ ভিতৰত এটি অন্যতম আৱিষ্কাৰ হ'ল মোবাইল ফোন। প্ৰথম অৱস্থাত এই মোবাইল ফোনটো কথা পাতিবলৈ ব্যৱহাৰ হৈছিল। কিন্তু বৰ্তমান সময়ত সৰু সৰু ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি সকলোৰে হাতত মোবাইল দেখিবলৈ পোৱা যায়। আজিকালি সৰু সৰু ল'ৰা-ছোৱালীবোৰক মোবাইলত গান, খেল ইত্যাদি দেখুৱালেহে যেন ভাত খায়, নহ'লে নাখায়। কেঁচুৱা এটিয়ে কান্দি থকা সময়ত যদি মোবাইলত গান বজাই দিয়ে লগে লগে কন্দা বন্ধ হৈ যায়। আগৰ দিনত শৈশৱকালৰ শিশুসকলে আজৰি সময়ত মুকলি আকাশ ৰ তলত বিভিন্ন ধৰণৰ খেল খেলিছিল । কিন্তু বৰ্তমান সময়ত শিশুসকলে আজৰি সময়ত এটা কোঠাৰ ভিতৰতে আবদ্ধ থাকি মোবাইলত খেল খেলি নাইবা গান চাই থকা দেখা যায়।

মোবাইল ফোনত 'নেট'ৰ জৰিয়তে বিভিন্ন তথ্য সংগ্ৰহ কৰিব পাৰি। বৰ্তমান সময়ত ফোনৰ 'নেট'ৰ জৰিয়তে চলা 'চ'চিয়েল মিডিয়া'ত প্ৰত্যেক মানুহ ব্যস্ত হৈ থকা দেখা যায়। প্ৰায়ভাগ ছত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ সময়তো মোবাইলৰ কথাই যেন ভাবি থাকে। ইয়ে ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাত বেয়া প্ৰভাব পেলায়। মোবাইলে ল'ৰা-ছোৱালীৰ আচৰণতো বিপৰীত প্ৰভাৱ পেলায়।

বৰ্তমান সময়ত দেখা যায় বাছত বহি থকা সময়ত, অফিচত বহি থকা সময়ত অৰ্থাৎ মানুহ অলপ সময় পালেই মোবাইলটো উলিয়াই লৈ চাই থাকে। ঠিক তেনেদৰে ছাত্ৰ-ছাত্ৰীসকলে আজৰি সময় পালেই মোবাইলটো উলিয়াই লোৱা দেখা যায়। ইয়ে সিহঁতৰ মানসিক উন্নতিত বাধা প্ৰদান কৰে। কাৰণ আজৰি সময়ত যদি এখন ভাল আলোচনী বা কিতাপ পঢ়িলে বহু মানসিক উৎকৰ্ষ সাধন হ'লহেঁতেন। বিভিন্ন কিতাপ পঢ়িলে মানুহৰ জ্ঞান বঢ়াৰ লগতে শব্দ জ্ঞান বাঢ়ে। সকলো বস্তুৰে এটা ভাল আৰু বেয়া দিশ আছে। গতিকে আমি ভাল দিশটোহে আকোৱালি ল'ব লাগে। তেতিয়াহে আমি বস্তুটোৰ পৰা লাভান্বিত হ'ব পাৰিম। ঃঃ



# একলব্যৰ গুৰু দক্ষিণা

পূৰবী সিনহা
*তৃতীয় ষান্মাষিক*

কৌৰব আৰু পাণ্ডৱৰ ৰাজকুমাৰ আছিল গুৰু দ্ৰোণাচাৰ্য। তেওঁ ৰাজকুমাৰ সকলক নানা শিক্ষা দিছিল। ধনুকাড় মাৰিবলৈ শিকোৱাৰ উপৰিও ঢাল-তৰোৱালেৰে যুদ্ধ কৰিবলৈ শিকাইছিল। এদিন গুৰুৰ লগত ৰাজকুমাৰ সকলে চিকাৰলৈ গৈছিল। অৰণ্যৰ মাজত তেওঁলোকে কুকুৰ এটা দেখি আচৰিত হ'ল কাৰণ কুকুৰটোৰ মুখখন পাঁচ পাট কাড়েৰে এনেকৈ গাঁঠি থোৱা আছিল যে কুকুৰটোৱে ভুকিব পৰা নাই। কুকুৰটোৰ মুখৰ পৰা তেজ এটোপালো ওলোৱা নাই। গুৰু দ্ৰোণাচাৰ্য আৰু ৰাজকুমাৰসকল কুকৰটোৰ পিছে পিছে গৈ গভীৰ অৰণ্য পালেগৈ। তাত তেওঁলোকে দেখিলে যে পশু ছাল গাত মেৰাই লোৱা এজন যুৱকে অতি মনোযোগেৰে ধনু-কাড় মাৰিবলৈ অভ্যাস কৰি আছে। যুৱকজনৰ সন্মুখত গুৰু

দ্ৰোণাচাৰ্যৰ এটি মাটিৰ মূৰ্তি। যুৱকজনে তেওঁৰ সন্মুখত সাক্ষাৎ গুৰুক দেখি আচৰিত ’ল আৰু তেওঁক প্ৰণাম জনালে। গুৰুৱে সুধিলে, “তুমি এনেকৈ কি কৰিছা? তুমি কান?” তেতিয়া যুৱকজনে ক’লে, মই নিষাদৰাজ হিৰণ্য ধনুৰ পুত্ৰ। মোৰ নাম একালব্য। াপোনাৰ কৃপাতে মই তাৰ মুখখন বন্ধ কৰিছো। একলব্যৰ কথা শুনি অৰ্জুনে মনত বজাৰ পালে। সেয়েহে তেওঁ ক’লে গুৰু দ্ৰোণাচাৰ্য আপুনি মোক সকলো বিদ্যা দিম ি কৈছিল । কিন্তু আপুনি একলব্যক আগতে কিয় দিলে।

তেতিয়া গুৰু দ্ৰোণাচাৰ্যই ক’লে— তুমি যদি মোৰ শিষ্য তেন্তে তুমি মোক তোমাৰ সোঁহাতৰ বুঢ়া আঙুলিটো দক্ষিণা দিব লাগিব। তেতিয়া তেওঁ তৎক্ষণাত তেওঁৰ ঢ়া আঙুলিটো কাটি গুৰু দ্ৰোণাচাৰ্যক দক্ষিণা হিচাপে দিলে। তাকে দেখি কৌৰবসকল াচৰিত হ’ল।

এই কাহিনীটোৰ পৰা আমি একলব্যৰ গুৰু দ্ৰোণাচাৰ্যৰ প্ৰতি থকা শ্ৰদ্ধা ভাৱ ালদৰে জানিব পাৰিছো। একলব্যৰ পৰা আমি জানিব পাৰিছো যে গুৰুৰ আদেশ দায় পালন কৰিব লাগে। যদি কোনো এটা কাম বা কাৰ্য আমি একমত হৈ কৰো তন্তে সেই কাম বা কাৰ্যত সদায় সফল হম।একলব্যই যদিও গুৰু দ্ৰোণাচাৰ্যৰ পৰা ৰোক্ষ ভাৱে শিক্ষা লাভ কৰি এজন পাকৈত ধনুৰধাৰি হৈ পৰিছিল। এই কাহিনীৰ টনাত হিংসাৰ ভাৱ দেখিবলৈ পোৱা যায়। একলব্যই নিজ শিক্ষাৰ বলে কুকুৰটোৰ খখনত ৫টা কাড়েৰে গাঠি মাৰি থৈছিল যদিও কুকুৰটোৰ মুখৰ পৰা এটোপো তেজ োলোৱা নাছিল। তাকে দেখি অৰ্জুনৰ হিংসা ভাৱ জাগিছিল। ঃঃ

---

The mind is furnished with ideas by experience alone."

John Lock

Strong minds discuss ideas. average mind's discuss events weak minds discuss about peole.

Socrates

Good actions give strength to ourselves and Inspire. good actions in others.

Plato

---



# অনুপ্ৰেৰণাৰ অন্য নাম প্ৰাঞ্জল পাটিল

প্ৰীতিস্মীতা হাঁলৈ
*প্ৰথম যান্মাষিক*

জন্মাতে দুৰ্বল দৃষ্টিশক্তি লৈ জ
লোৱা এজনী কণমানি। নাম তাই
প্ৰাঞ্জল পাটিল। ঘৰ মহাৰাষ্ট্ৰৰ উল্ল
নগৰত। কেইবাবাৰো অস্ত্ৰোপচাৰ কৰ
পাছতো চিকিৎসকে কণমানিজনী
দৃষ্টিশক্তি ঘূৰাই আনিবলৈ সক্ষম নহ'
ছয় বছৰ বয়সত দৃষ্টিশক্তি সম্পূৰ্ণৰূ
হেৰুৱাই পেলোৱা এই কণমানিজনী
পিছে আকাশ চুবৰ মন। শাৰীৰি
প্ৰতিবন্ধকতাক নেওচি তাই সপে
ৰচিলে আই.এ.এচ. অফিচাৰ হোৱা
নিৰাশাৰ মাজতো আশাৰ অপেক্ষা
থাকি তাই পাণ কৰিছিল জীৱনৰ মধুৰত
ত্ৰিশ বছৰ ধৰি কৰি যোৱা একান্ত সাধন

অন্তত ২০১৮ চনত তেওঁৰ সপোন সফল হ'ল। ভাৰতৰ প্ৰথমগৰাকী দৃষ্টিহীন মহিলা আই.এ.এচ. অফিচাৰ হোৱাৰ গৌৰৱ অৰ্জন কৰিলে প্ৰাঞ্জল পাটিলে।

কমলা মেহতা দাদৰ ব্ৰাইণ্ড স্কুলত প্ৰাঞ্জলে আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰে মাৰাঠী মাধ্যমত। প্ৰতিবন্ধকতাক নেওচি নিজৰ একান্ত সাধনাৰ বলত প্ৰাঞ্জলে পাচলৈ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰা ইণ্টাৰনেচনেল ৰিলেচনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ পৰাই তেওঁ এমফিল আৰু পি.এইচ.ডি কৰিবলৈ সুযোগ পায়। তাৰ পিছতেই তেওঁ ভাৰতীয় চিভিল ছাৰ্ভিচত কাম কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰথম বাৰৰ চেষ্টাতেহ ২০১৬ চনত তেওঁ ইউ.পি.এছ.চি পৰীক্ষাত ৭৭৩ সংখ্যক স্থানত উত্তীৰ্ণ হৈ ভাৰতীয় ৰেলৰ একাউণ্ট ছাৰ্ভিচৰ বাবে উপযুক্ত বুলি বিবেচিত হয়। কিন্তু ভাৰতীয় ৰেলৰ কৰ্তৃপক্ষই দৃষ্টিহীনতাৰ বাবে তেওঁক এই পদত মকৰল কৰাত অসন্মতি প্ৰকাশ কৰে। ভাৰতীয় ৰেল বিভাগৰ হঠকাৰী সিদ্ধান্তক প্ৰত্যাহ্বান জনাই পূৰ্বতকৈ উন্নত স্থানপ্ৰাপ্তিৰ লক্ষ্যৰে প্ৰাঞ্জলে পুনৰবাৰ ২০১৮ চনত ভাৰতীয় চিভিল ছাৰ্ভিচৰ পৰীক্ষাত বহে। এইবাৰ তেওঁ সমগ্ৰ ভাৰতৰ ভিতৰত১২৪ সংখ্যক স্থান অধিকাৰ কৰি সফলতা লাভ কৰে আৰু ২০১৮ চনৰ মে' মাহত কেৰালাৰ এৰ্ণাকুলামৰ জিলাৰ সহকাৰী কালেক্টৰ পদত নিযুক্তি লাভ কৰি সমগ্ৰ ভাৰতৰ ভিতৰত প্ৰথমগৰাকী দৃষ্টিহীন মহিলা আই.এ.এছ বিষয়া হোৱাৰ কৃতিত্ব লাভ কৰে।

প্ৰাঞ্জলৰ দৰে মহিলা আমাৰ নৱ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা। একাগ্ৰতা আৰু কঠোৰ শ্ৰমৰ দ্বাৰা যি গৰাকীয়ে জীৱনত প্ৰতিষ্ঠিত হ'বলৈ চেষ্টা কৰে, কোনো প্ৰতিবন্ধকতাই তেওঁৰ সপোন ৰুদ্ধ কৰিব নোৱাৰে। এই কথাষাৰেই প্ৰমাণ কৰি দেখুৱালে ৩১ বছৰীয়া প্ৰাঞ্জল পাটিলৰ সফলতাৰ কাহিনী দেশৰ নৱ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ মন্ত্ৰ হওক। তেওঁ হৈ ৰওক স্বপ্নদ্ৰষ্টাসকলৰ বাবে আদৰ্শ। ঃঃ

The most difficult thing in life is to know yourself.

*Thales.*

Sometimes people don't want to hear the truth because thay don't want their illusions destroyed."

*Friedrich Nistzsche*

# স্বাধীনতা
# মোৰ অনুভৱ

নবনীতা দাস
পঞ্চম ষাণ্মাসিক

প্ৰথমে মই কওঁ যে মই কোনো লিখক অথবা ৰাজনৈতিক ব্যক্তি নহয় তথাপিও স্বাধীনতা দিৱস উপলক্ষে মোৰ যি ব্যক্তিগত অনুভৱ তাকেই মই ব্যক্ত কৰিব বিচাৰিছো।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে আমাৰ দেশে স্বাধীনতা লাভ কৰিছিল অৰ্থাৎ ভাৰতবৰ্ষই ব্ৰিটিছ শাসনৰ পৰা মুক্তি পাইছিল। আজি ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা ৭৩ বছৰে সম্পূৰ্ণ হ'ল। এতিয়া প্ৰশ্ন হয় যে— দেশ স্বাধীন হোৱা বহু বছৰে হ'ল গান্ধীজীৰ হাড়তো চাগে বন গজিল গৈ। আজিও তেওঁ জীয়াই আছে মোৰ হৃদয়ত তথা প্ৰত্যেকজন ভাৰতবাসীৰ হৃদয়ত। কিন্তু মোৰ মনত অনুভৱ হয় যে দেশ স্বাধীন হৈয়ো যেন আধৰুৱা। মই ভাবো যে আচলতে দেশ স্বাধীন হোৱা নাই। ১৯৪৭ চনত সত্তা হস্তান্তৰিত হৈছিল। ইংৰাজে বনাই থৈ যোৱা কানুন চব একেই আছে। সংবিধান Copy Paste হে। এতিয়া এটাই পাৰ্থক্য হৈছে যে বগা চাহাবৰ ঠাইত কলা চাহাবে দেশ চলাই আহিছে।

অৰ্থাৎ শাসন ব্যৱস্থা একেই আছে গতিকে ভাৰত স্বাধীন এতিয়াও হোৱা নাই বুলি মই ভাবোঁ আৰু দেশ স্বাধীন নোহোৱাৰ কিছুমান গুৰুত্বপূৰ্ণ কাৰণ হ'ল— এয়া কি আজিয়ো দেখোন হিংসা, হত্যা নাৰী, নিৰ্যাতন, চুৰ-ডকাইত, লুণ্ঠন উফ ইত্যাদি ইত্যাদি চলিয়েই আছে। গান্ধীজীৰ অহিংসাৰ বাণী আজি ক'ত হেৰাল? গান্ধীজীয়ে কৈছিল যে "এখন গালত যদি চৰ মাৰে তেন্তে আৰু এখন গাল পাতি দিবা" হয় গান্ধীজীয়ে ঠিকেই কৈছিল। কিন্তু গান্ধীজীৰ নীতি এতিয়াও পালন কৰা দেখা যায় নে? তাৰ বাবে মই ভাবোঁ আমাৰ দেশ স্বাধীন হৈও যেন বহুতে পিচপৰা তথা আধৰুৱা। আন এফালে চাব গ'লে দুখ লাগে যে যিবোৰ Indian Army য়ে আমাৰ গোটেই দেশখনক ৰক্ষা কৰি আছে। যাৰ বাবে আমিবোৰ সাধাৰণ মানুহে শান্তিত থাকিব পাৰিছোঁ। দুবেলা দুমুঠি ভাত পেটত গুজিব পাৰিছোঁ। কিন্তু তেওঁলোকে পাবলগীয়া নিজৰ প্ৰাপ্য সন্মানখিনি পাইছে নে? ইমান কষ্ট কৰাৰ উপৰিও তেওঁলোকে সন্মান নাপায়। আমি আৰু কিমান সহ্য কৰিম? আজি যেন দেশ স্বাধীন হৈয়ো আধৰুৱা...।

শেষত মই এষাৰ কথা কৈয়ো সামৰণি মাৰিম যে— যদিহে লাগে আমাক এখন সম্পূৰ্ণ স্বাধীন ভাৰত তেন্তে আগুৱাব লাগিব আমি গান্ধীৰ অহিংসাৰ বাণীলৈ, শুধৰণি হ'ব লাগিব আমাৰ দেশৰ প্ৰত্যেকজন নাগৰিক, আজিৰ পৰা যেন প্ৰত্যেকজন ভাৰতীয় নাগৰিকে স্বাধীন হৈ জীৱন কটাব পাৰে। প্ৰত্যেকজন নাগৰিকে যেন মন খোলচা কৰি ক'ব পাৰে মই স্বাধীন, প্ৰত্যেকজনেই যেন দেশমাতৃক সেৱা কৰি যাব পাৰে। হয় তেতিয়া মই ভাবিম আমাৰ দেশ প্ৰকৃততে স্বাধীন হৈছে। ধন্যবাদ, "বন্দে মাতৰম", "জয় আই অসম"। ঃঃ

Philosophers are adults who persist in asking chilish question.

*Isaiah Berlin*

What we know is a drop, what we don't know is an ocean.

*Isaac Newton*

What worries you, masters you.

*John Locke*

# স্বাধীনতা
# মোৰ অনুভৱ

**নৱনীতা দাস**
*পঞ্চম যান্মাষিক*

প্ৰথমে মই কওঁ যে মই কোনো লিখক অথবা ৰাজনৈতিক ব্যক্তি নহয় তথাপিও স্বাধীনতা দিৱস উপলক্ষে মোৰ যি ব্যক্তিগত অনুভৱ তাকেই মই ব্যক্ত কৰিব বিচাৰিছো।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে আমাৰ দেশে স্বাধীনতা লাভ কৰিছিল অৰ্থাৎ ভাৰতবৰ্ষই ব্ৰিটিছ শাসনৰ পৰা মুক্তি পাইছিল। আজি ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা ৭৩ বছৰে সম্পূৰ্ণ হ'ল। এতিয়া প্ৰশ্ন হয় যে— দেশ স্বাধীন হোৱা বহু বছৰে হ'ল গান্ধীজীৰ হাড়তো চাগে বন গজিল গৈ। আজিও তেওঁ জীয়াই আছে মোৰ হৃদয়ত তথা প্ৰত্যেকজন ভাৰতবাসীৰ হৃদয়ত। কিন্তু মোৰ মনত অনুভৱ হয় যে দেশ স্বাধীন হৈয়ো যেন আধৰুৱা। মই ভাবো যে আচলতে দেশ স্বাধীন হোৱা নাই। ১৯৪৭ চনত সত্তা হস্তান্তৰিত হৈছিল। ইংৰাজে বনাই থৈ যোৱা কানুন চব একেই আছে। সংবিধান Copy Paste হে। এতিয়া এটাই পাৰ্থক্য হৈছে যে বগা চাহাবৰ ঠাইত কলা চাহাবে দেশ চলাই আহিছে।

অৰ্থাৎ শাসন ব্যৱস্থা একেই আছে গতিকে ভাৰত স্বাধীন এতিয়াও হোৱা নাই বুলি মই ভাবোঁ আৰু দেশ স্বাধীন নোহোৱাৰ কিছুমান গুৰুত্বপূৰ্ণ কাৰণ হ'ল— এয়া কি আজিয়ো দেখোন হিংসা, হত্যা নাৰী, নিৰ্যাতন, চুৰ-ডকাইত, লুণ্ঠন উফ ইত্যাদি ইত্যাদি চলিয়েই আছে। গান্ধীজীৰ অহিংসাৰ বাণী আজি ক'ত হেৰাল? গান্ধীজীয়ে কৈছিল যে "এখন গালত যদি চৰ মাৰে তেন্তে আৰু এখন গাল পাতি দিবা" হয় গান্ধীজীয়ে ঠিকেই কৈছিল। কিন্তু গান্ধীজীৰ নীতি এতিয়াও পালন কৰা দেখা যায় নে? তাৰ বাবে মই ভাবোঁ আমাৰ দেশ স্বাধীন হৈও যেন বহুতে পিচপৰা তথা আধৰুৱা। আন এফালে চাব গ'লে দুখ লাগে যে যিবোৰ Indian Army য়ে আমাৰ গোটেই দেশখনক ৰক্ষা কৰি আছে। যাৰ বাবে আমিবোৰ সাধাৰণ মানুহে শান্তিত থাকিব পাৰিছোঁ। দুবেলা দুমুঠি ভাত পেটত গুজিব পাৰিছোঁ। কিন্তু তেওঁলোকে পাবলগীয়া নিজৰ প্ৰাপ্য সন্মানখিনি পাইছে নে? ইমান কষ্ট কৰাৰ উপৰিও তেওঁলোকে সন্মান নাপায়। আমি আৰু কিমান সহ্য কৰিম? আজি যেন দেশ স্বাধীন হৈয়ো আধৰুৱা...।

শেষত মই এষাৰ কথা কৈয়ো সামৰণি মাৰিম যে— যদিহে লাগে আমাক এখন সম্পূৰ্ণ স্বাধীন ভাৰততেন্তে আগুৱাব লাগিব আমি গান্ধীৰ অহিংসাৰ বাণীলৈ, শুধৰণি হ'ব লাগিব আমাৰ দেশৰ প্ৰত্যেকজন নাগৰিক, আজিৰ পৰা যেন প্ৰত্যেকজন ভাৰতীয় নাগৰিকে স্বাধীন হৈ জীৱন কটাব পাৰে। প্ৰত্যেকজন নাগৰিকে যেন মন খোলচা কৰি ক'ব পাৰে মই স্বাধীন, প্ৰত্যেকজনেই যেন দেশমাতৃক সেৱা কৰি যাব পাৰে। হয় তেতিয়া মই ভাবিম আমাৰ দেশ প্ৰকৃততে স্বাধীন হৈছে। ধন্যবাদ, "বন্দে মাতৰম", "জয় আই অসম"। ঃঃ

Philosophers are adults who persist in asking chilish question.

*Isaiah Berlin*

What we know is a drop, what we don't know is an ocean.

*Isaac Newton*

What worries you, masters you.

*John Locke*

# মানৱতাবাদ

দিপাংকৰ ডে
*প্ৰথম ষান্মা*

মানৱতাবাদ বা মানৱ ধৰ্ম হৈছে মানৱ সেৱা। মানুহৰ সেৱা কৰাই হৈছে ইয় প্ৰধান উদ্দেশ্য। মানৱ ধৰ্ম হৈছে পৃথিৱীৰ সকলোতকৈ উৎকৃষ্ট ধৰ্ম। পৃথিৱীত যিবে ধৰ্ম আছে সেইবোৰ জাতি ধৰ্ম অনুযায়ী মানুহৰ মাজত উচ্চ-নীচ তথা ভেদাভেদৰ সৃ কৰে, কিন্তু মানৱ ধৰ্মই পৃথিৱীৰ সকলো মানুহৰ মাজৰ পৰা ধনী, দুখীয়া, উচ্চ-নী আদি ভাৱৰ অন্ত পেলাই কেৱল মানৱ সেৱাৰহে জ্ঞান দিয়ে। কবিগুৰু ৰবীন্দ্ৰন ঠাকুৰদেৱেও মানৱ ধৰ্মৰ বিষয়ে যথেষ্ট কৈ গৈছে। তেওঁ কৈছিল ধৰ্মক দেৱতাৰ মাজ নিবিচাৰি মানুহৰ মাজতহে বিচাৰিব লাগে। তেওঁ কৈছিল, " Let us seek t religion of this and other people not in their gods, but man, who dreamed of his own infinity nd majestical worked for all time defying danger and death. তেওঁৰ প্ৰায়ে কবিতাই মানৱতাবাদৰ সুন্দৰ আভাষ দিয়ে। যেনে-

"মৰিতে চাহিনা আমি সুন্দৰ ভবনে
মানৱৰ মাজে আমি বাচিবা চাই।"

এনেদৰে বিচাৰিলে মানৱতাবাদীসকলৰ বহুতো উদাহৰণ পোৱা যায়। যে ঃ শ্ৰীচৈতন্যদেৱে ফৰাচী দাৰ্শনিক কোটে (Comte) স্বামী বিবেকানন্দ, মাদাৰ টেৰে ইত্যাদি।

মানৱধৰ্মইহে মানুহক জাতি ধৰ্ম, ধনী-দুখীয়া পাহৰি একতাৰ ডোলেৰে বান্ধি পাৰিব আৰু মানুহৰ মাজত একতাৰ সৃষ্টি হলেহে সকলো বিশৃংখলতা দূৰ হৈ সমাজখ সু-শৃংখল হৈ পৰিব।

গতিকে ক'ব পৰা যায় যে সকলো ধৰ্মৰ উৰ্দ্ধত হৈছে মানৱ ধৰ্ম, আমি ধৰ্ম বৈষম্য পাহৰি মানৱ ধৰ্মত ব্ৰতী হোৱা উচিত। আমাৰ মাজত মানৱতাবাদ থাকিলে নিজকে জীৱশ্ৰেষ্ঠ বুলি পৰিচয় দিব পাৰিম। ঃঃ

# সমাজ দৰ্শন

নীতা কলিতা
*পঞ্চম ষান্মাষিক*

সমাজ দৰ্শন হ'ল সমাজ আৰু দৰ্শনৰ মিলনস্থল সমাজ দৰ্শনত সমাজ সম্পৰ্কে দাৰ্শনিক আলোচনা কৰা হয়। সমাজৰ উৎপত্তি, বিকাশ, সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সংঘ সমিতি, অনুষ্ঠান-প্ৰতিষ্ঠান ইত্যাদি সম্পৰ্কে সামগ্ৰিকভাৱে এক আদৰ্শনিষ্ঠ আলোচনা দৰ্শনৰ যি বিভাগত কৰা হয় তাকে সমাজ দৰ্শন বোলে।

সমাজ দৰ্শনৰ অৰ্থ আৰু স্পষ্টকৈ জানিবলৈ হ'লে 'সমাজ' আৰু 'দৰ্শন' শব্দ দুটাৰ অৰ্থ জানিব লাগিব। আক্ষৰিক অৰ্থত সমাজ দৰ্শন বুলিলে আদৰ্শ আৰু মূল্যমানৰ সামগ্ৰিক দৃষ্টিকোণৰ পৰা সামাজিক ঘটনাসমূহৰ বিচাৰ বিশ্লেষণ কৰা। সমাজ বুলিলে মোটামুটি ভাৱে স্থায়ী এটা সাংগঠনিক ব্যৱস্থাক বুজায়। যেতিয়া বহুতো মানুহে একেই উদ্দেশ্য সাধনৰ বাবে সংঘবদ্ধ হৈ বসবাস কৰে, তেতিয়া তাক সমাজ বোলা হয়।

আনহাতে, দৰ্শন হ'ল জগত আৰু জীৱন সম্পৰ্কে সামগ্ৰিকভাৱে এক প্ৰণালীবদ্ধ অধ্যয়ন, সমাজত সমাজ সম্পৰ্কীয় প্ৰতিটো বিষয়ৰে সামগ্ৰিক আলোচনা আছে আৰু দৰ্শনত বিচাৰ বিশ্লেষণ আৰু মূল্য নিৰ্দ্ধাৰণ কৰে। সমাজ সম্পৰ্কে সাধাৰণতে দুটা শাস্ত্ৰত আলোচনা কৰা হয় সমাজ বিজ্ঞান আৰু সমাজতত্ত্ব বিজ্ঞান।

সমাজ দাৰ্শনিক গিটবাৰ্টে কৈছে যে "সমাজ দৰ্শন হ'ল বিজ্ঞানসমূহৰ স্বৰ্ণ মুকুট"। সমাজ দৰ্শন এক প্ৰকাৰৰ বিজ্ঞান। কিন্তু সমাজ দৰ্শন বিষয়নিষ্ঠ বিজ্ঞান নহয়, সমাজদৰ্শন হ'ল আদৰ্শনিষ্ঠ বিজ্ঞান। দৰ্শনৰ আলোচনা কৰে। সামাজিক কল্যাণৰ আদৰ্শ হিচাপে সমাজদৰ্শনে মূল্য, উদ্দেশ্য আৰু আদৰ্শৰ আলোচনা কৰে।

A man can not be comfortable without his own approval.

*Mark Twain*



# RENE DESCARTES

**Aparna Choudhury**
*3rd semester*

Rene Descartes was born in March 31.1596.La Haye. France. Rene Descartes was one of the first to abandon seholastic Aristolianism.because he formulated the first modernversion of mind- body dualism. from which stems the mind body problem. and because he promated the development of a new seience grounded in observation and experiment. he has been called the father of modern philosophy.

Applying an original system of methodical doubt. he dismissed opparent Knowledge dervied from authority. the senses. and reason and erectid new epistemic foundations on the basis of the intuition that. When he is thinking. he exists. this he expressed in the dictum "I think. therefore I am."

He developed a metaphysical dualism that distinguishes radically between mind. the essence of which is thinking. and matter.the essence of which is extension in three dimensions. Descartes's metaphysics is rationalist. hased on the pastylation of innate ideas of mind. and God. but his physics and physiology. based on sensory experience. are mechanistic and empiricist.

Rene Descartes died on February11. 1650 stockhalm. sweden.

# অনুশাসন আৰু স্বাধীনতা

**ৰুমা আৰ্য্য**
*পঞ্চম ষাণ্মাষিক*


অনুশাসন আৰু স্বাধীনতা দুটা পৃথক দৃষ্টিভংগী যদিও কৰ্মৰ ক্ষেত্ৰত ইয়াৰ ফলশ্ৰুতি একে ধৰণৰ। কিন্তু অনুশাসনক স্বাধীনতাৰ বিপৰীত ধৰ্মী শব্দ হিচাপেও ব্যৱহাৰ কৰা দেখা যায়। স্বাধীনতা হ'ল মুক্তভাৱে নিজ ইচ্ছাৰে বিচৰণ কৰা। স্বাধীনতা এক মুক্ত অৱস্থা য'ত কোনো নিয়ম বাধা-বিঘিনি আৰু শৃংখলা নাথাকে। এই ধাৰণাটোৰ সত্যতা থাকিলেও ইয়াক প্ৰকৃত স্বাধীনতা বুলি ক'ব নোৱাৰি। ইয়াক অবাধ স্বাধীনতা বুলি ক'ব পাৰি। স্বাধীন শব্দৰ প্ৰকৃত অৰ্থ হ'ল স্ব-অধীন অৰ্থাৎ নিজৰ ইচ্ছা আৰু নিজৰ প্ৰবৃত্তিৰ দ্বাৰা নিজকে পৰিচালিত কৰা। সেইদৰে অনুশাসন মানে হ'ল সামূহিকভাৱে ৰচিত নিয়ম-কানুনৰ দ্বাৰা নিজকে পৰিচালিত কৰা। প্ৰথমটো নিজৰ ইচ্ছাক বাধাহীনভাৱে মুক্ত প্ৰকাৰ সুবিধা দিব পাৰি আৰু আনটোত নিজৰ অভিৰুচি আৰুঃ ইচ্ছাক আনুষংগিক নীতি-নিয়মেৰে নিয়ন্ত্ৰিত কৰিবলগীয়া হয়। দুয়োটা ধাৰণাৰ প্ৰকৃততে বিৰোধ ভাৱ

নাথাকে। ইটোৰ লগত সিটোৰ পাৰস্পৰিক সম্বন্ধ থকাটো পৰিলক্ষিত হয়। অনুশাসনহী পৰিবেশত স্বাধীনতাৰ ধাৰণা বিকাশ লাভ কৰিব নোৱাৰে আৰু ঠিক তেনেদৰে স্বাধীনতাহীন পৰিবেশত অনুশাসনৰ উপকাৰিতা বৃদ্ধি নহয়। যি ক্ষেত্ৰত স্বাধীনতা আছে, আনহাতে আত্মনিয়ন্ত্ৰণৰ ক্ষমতা নাই, তেনে ক্ষেত্ৰত স্বাধীনতাৰ অৰ্থ মূল্যহীন সেইদৰে যি পৰিবেশত শৃংখলা আছে, কিন্তু স্বাধীনতা নাই,তেনে অৱস্থাত শৃংখলাৰ কোনো অৰ্থ নাই । বন্ধনৰ ৰস্থা এটাক ইচ্ছাকৃতভাৱে মানি চলাকেই অনুশাসিত আৰু বন্ধনহীন মুক্ত আৰু স্বেচ্ছাকৃতভাৱে চলা অৱস্থাটোকে সাধাৰণ অৰ্থত স্বাধীন বুলি কোৱা হয়।

ব্যক্তিসকলৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত শিক্ষাৰ যিদৰে প্ৰয়োজনীয়তা আছে ঠিক তেনেদৰেই অনুশাসন আৰু স্বাধীনতাৰ প্ৰয়োজন আছে। অনুশাসন আৰু স্বাধীনতা এই দুয়োটাৰে উচিত ধৰণেৰে সংমিশ্ৰণ হ'লেহে ব্যক্তিসকলৰ বিকাশ সম্ভৱপৰ হ'ব।

স্বাধীনতাবোধৰ ধাৰণা মানৱ মনত সোমাই পৰাটো অতি প্ৰয়োজনীয় কিন্তু তাৰ অন্তৰালত থাকিব লাগিব অনুশাসনৰ প্ৰভাৱ। সকলো কাম অকল ইচ্ছা অনুসাৰে কৰি গ'লে কৰ্ম সম্পাদন হোৱা বুলি ক'ব নোৱাৰি। এই ধাৰণাটোক স্বেচ্ছাচাৰিতা বুলি ক'ব পাৰি। ৰাস্তা-ঘাট খেল-পথাৰ, যুদ্ধক্ষেত্ৰ, সমাজ সকলোতে যাত্ৰী তথা সদস্যসকলে অবাধে বিচৰণ কৰাৰ অধিকাৰ থকা বুলি কোৱা হয় যদিও সকলো ক্ষেত্ৰতে অকল নিজৰ সুবিধাখিনি আদায় কৰিলে নহ'ব। পদযাত্ৰী বা যান বাহনৰ আৰোহীৰ নীতি-নিয়ম চোৱাৰ বাবে আৰক্ষী, খেলপথাৰত খেল নিৰ্দেশক, যুদ্ধক্ষেত্ৰত সেনাপতি আৰু সমাজৰ গুৰিয়ালসমূহে অনুশাসন দিশবোৰ লক্ষ্য কৰি ব্যক্তিসকল প্ৰকৃত পথত যোৱাৰ নিৰ্দেশ দিয়ে। সেইদৰে বিদ্যালয়ত শিক্ষকসকলে স্বাধীনতা আৰু অনুশালনৰ প্ৰয়োগ উপযুক্তভাৱে কৰিব জানিলে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান-কৌশল, সৃজনীমূলক প্ৰতিভা আদি আয়ত্ব কৰাত সহজ হৈ পৰিব।

> Waste no more time arguing about what a good man should, be one.
>
> *Maecus Aurelius.*



# ইণ্টাৰনেট


**মনিষা দাস**

*প্ৰথম ষাণ্মাষিক*


ইণ্টাৰনেট হ'ল বহুতো নেটৱৰ্ক (Network)ৰ মাজেৰে এটা নেটৱৰ্ক। পৃথৱীৰ অসংখ্যা কম্পিউটাৰৰ যোগসূত্ৰকে কম্পিউটাৰ নেটৱৰ্ক বোলা হয়। এটা নেটৱৰ্কত বহুতো কম্পিউটাৰ সংযোজন কৰা হয়। এই সংযোজন কাৰ্য কেবল (Cable) আৰু কৃত্ৰিম উপগ্ৰহ (Satellites)ৰ সহযোগত কৰা হয়। এনে ধৰণৰ বহু সংখ্যক নেটৱৰ্কক আকৌ পৰস্পৰৰ লগত সংযুক্ত কৰি তথা প্ৰযুক্তিয়ে আমাৰ ইণ্টাৰনেটত উপস্থিত কৰাইছে। সমগ্ৰ পৃথিৱীৰ অসংখ্য নেটৱৰ্ক পাৰস্পৰিকভাৱে সংযুক্ত হ'লেহে ইণ্টাৰনেট তৈয়াৰ হয়। ১৯৬৯ চনত আমেৰিকাৰ মাৰ্কিন প্ৰতিৰক্ষা দপ্তৰে প্ৰথমে ইণ্টাৰনেটক ARPANET (Advanced Reserach Projecs Agency Network) হিচাপে প্ৰথম প্ৰয়োগ আৰম্ভ কৰে। তাৰ পিছত ১৯৮৪ চনত (National Science Foundation) যে বিদ্যালয়সমূহক নেটৱৰ্কত ভৰ্তি হ'বলৈ অনুমতি দিছিল। এনেদৰে পিছৰ সময়ছোৱাত বহুতো নেটৱৰ্ক সংঘবদ্ধ হৈ ইণ্টাৰনেটৰ সৃষ্টি কৰিলে। ইণ্টাৰনেট ব্যৱহাৰৰ যোগেদি শেহতীয়া খবৰবোৰ সহজেই উপলব্ধ কৰিব পাৰি। ইণ্টাৰনেটৰ সহায়ত বিজ্ঞাপনো প্ৰচাৰ কৰিব পাৰি। ইয়াৰ সহায়ত বস্তু কিনা-বেচাও কৰিব পাৰি। বিশ্বৰ যিকোনো প্ৰান্তৰ খবৰ অতি সোনকালে লাভ কৰিব পাৰি। ঃঃ



# মিছাইল মানৱ

নেহা ধৰ
*পঞ্চম যান্মাষিক*

১৯৩১ চনত ১৫ অক্টোবৰত
তামিলনাড়ুৰ ৰামেশ্বৰমত জন্ম হয়. তেখেত
পিতৃ এগৰাকী নাৱৰীয়া আৰু মাতৃ এগৰাকী
গৃহিণী আছিল। তেওঁলোকৰ আৰ্থিক অৱস্থা
ভাল নাছিল আৰু সেয়েহে কম বয়সৰ পৰা
তেখেতে পৰিয়াললৈ আৰ্থিক অৱদান
আগবঢ়াবৰ বাবে কাম কৰা আৰম্ভ কৰে
স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰাৰ পিছত দেউতাকৰ
আৰ্থিক সকাহে দিবলৈ তেওঁ বাতৰি কাকত
বিক্ৰী কৰাৰ কাম কৰিছিল।

ৰামেশ্বৰম বুনিয়াদী স্কুলত স্কুলীয়া
শিক্ষা শেষ কৰাৰ পাছত কালামে ১৯৫৪ চনত
তিৰুচিৰা পল্লীৰ চেইণ্ট জোচেফ'চ কলেজৰ
পৰা পদাৰ্থ বিজ্ঞানত স্নাতক উপাধি অৰ্জন কৰে

পাছত তেওঁ মাদ্রাজৰ মাদ্রাজ ইন্সচিটিউট অব টেকনলজীৰ পৰা এৰস্পেচ ইঞ্জিনিয়াৰিঙত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে।

ডক্টৰেট নকৰিলেও পৰৱৰ্তীকালত তেখেতে কেইবাটাও সন্মান সমূচক ডক্টৰেট লাভ কৰে। কালামে এবাৰ এটা ছিনিয়ৰ ক্লাছ প্ৰজেক্টত কাম কৰি আছিল। কিন্তু ডীন তেওঁৰ কামৰ অগ্ৰগতি লেহেমীয়া হোৱা দেখি অসন্তুষ্ট হৈ আৰু দুদিনৰ ভিতৰতে কাম সম্পূৰ্ণ কৰিবলৈ আদেশ দিলে। আৰু নহ'লে তেওঁৰ জলপানী বন্ধ কৰি দিব বুলি ভাবুকি দিলে। কালামে অমানুষিক পৰিশ্ৰমেৰে সময়মতে প্ৰজেক্ট শেষ কৰিলে। সন্তুষ্ট ডীনে কালামক কৈছিল "মই তোমাক ইমান কঠিন সময় সীমা দি মানসিক কষ্ট দিলো।" ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱাৰ আগেয়ে তেখেত এজন এৰস্পেছ অভিযন্তা হিচাপে প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংগঠন আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থাত কাৰ্যনিৰ্বাহ কৰিছিল। কালামৰ আন এটা জনপ্ৰিয় নাম হৈছে "ভাৰতৰ মিছাইল মানৱ" ভাৰতত বেনিষ্ঠিক ক্ষেপনাস্ত্ৰ আৰু উপগ্ৰহ উৎক্ষেপণ যান প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত তেখেতৰ অৰিহণাৰ বাবে এই উপাধি তেখেতক প্ৰদান কৰা হৈছে।

১৯৭৪ চনৰ প্ৰথম নিউক্লিয় পৰীক্ষাৰ পাছত ১৯৯৮ চনত হোৱা ভাৰতৰ "পোখৰান" পাৰমাণৱিক পৰীক্ষণত কালামে কাৰিকৰী দিশৰ উপৰিও ৰাজনৈতিক আৰু সাংগঠনিক দিশত মুখ্য ভূমিকা পালন কৰিছিল।

২০১৫ চনত ৰাষ্ট্ৰসংঘই তেওঁৰ জন্মদিন ১৫ অক্টোবৰক "বিশ্ব শিক্ষাৰ্থী দিৱস" হিচাপে পালন কৰাৰ কথা ঘোষণা কৰে। ৪০ খন বিশ্ববিদ্যালয়ে তেখেতক সন্মানসমূচক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। ভাৰত চৰকাৰে ও ডি আৰ ডি অঙ্গ আৰু ইছৰোৰ লগতে চৰকাৰৰ বিজ্ঞান উপদেষ্টাৰ ৰূপত তেখেতৰ ৱদানৰ স্বীকৃতি স্বৰূপে ১৯৮১ চনত পদ্মভূষণ আৰু ১৯৯৭ চনত ভাৰতৰ প্ৰতিৰক্ষা প্ৰযুক্তিৰ বিজ্ঞানসন্মত গৱেষণাৰ আৰু আধুনিকীকৰণৰ ক্ষেত্ৰত কালামৰ যুগান্তকাৰী অৱদানৰ বাবে তেখেতৰ ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নৰে বিভূষিত কৰা হয়। ঃঃ

> Be kind. for everyone you meet is fighting a hard battle.
>
> *Plato*
>
> The truth is. everyone is going to hurt you. You just got to find the once worth suffering for.
>
> *Bob Marley*

# সুযোগ কি ?

**কবিতা দেৱী**
*তৃতীয় যান্মাষিক*

সুযোগ মানে অনুকুল পৰিস্থিতি। অৰ্থাৎ ভাল যোগাযোগ। কিন্তু ভাল যোগাযোগেই আচল কথা নহয়। আচল কথা হ'ল ভাল যোগাযোগক জীৱনত উন্নতিৰ বাবে ব্যৱহাৰ কৰাটো। আমাৰ জীৱনৰ দুৱাৰত যিকোনো সময়তে সুযোগ আহি পৰে। সুযোগ অহাৰ লগে লগে তাক গ্ৰহণ কৰিব পৰাৰ ওপৰতেই নিৰ্ভৰ কৰে ভাগ্যৰ পৰিবৰ্তন। সকলো নিজৰ ভাগ্য নিজে নিজে সলনি কৰিব পাৰে। বিভিন্ন ধৰণৰ কামত মানুহে সুযোগ খটুৱায় জীৱনত আগবাঢ়িব পাৰে।

পৃথিৱীৰ তিনি ধৰণৰ মানুহ আছে। প্ৰথম যিসকল সুযোগৰ অপেক্ষাত থাকে। যিকোনো পৰিস্থিতিকে তেওঁলোকে সুযোগ বুলি ভাৱে। সুখ আৰু দুখ দুয়ো তেওঁলোকৰ বাবে সুযোগ। দ্বিতীয়তে আন এক শ্ৰেণীৰ মানুহ আছে। সুযোগ তেওঁ লোকৰ পিছে পিছে ঘূৰে একো নিবিচাৰাকৈ তেওঁলোকে বহুত বস্তু লাভ কৰে। তেওঁলোকে সকলো বস্তু নিবিচাৰাকৈ পায় যায়। তৃতীয়তে এক শ্ৰেণীৰ মানুহ আছে সুযোগ সন্ধানৰ কোনো ইচ্ছাই নাই। তেওঁলোকৰ সুযোগ লাভ কৰাৰ মানসিকতা নাই। সুযোগ মানে হ'ল যিসকল লোকে যিমান পৰিশ্ৰম কৰে তেওঁলোকৰ বাবে সুযোগ পাবলৈ কোনো ডাঙৰ কাম নহয়। তেওঁলোকে সকলো বস্তু পাব পাৰে। কিন্তু যি লোকে কোনো কাম নকৰাকৈ জীৱনক সুখ-দুখকে সুযোগ বুলি ভাবে।

সুযোগ পাবলৈ হ'লে এজন মানুহ দায়িত্বশীল হ'ব লাগিব। নিজৰ জীৱনত সকলো কাম কৰিব পৰা ক্ষমতা থাকিব লাগিব। জীৱনত যিমানখিনি স্বভাৱিকভাৱে পাইছে সেইখিনিকে আপোনাৰ সুযোগ হিচাপে গ্ৰহণ কৰক। স্বতস্ফূৰ্তভাৱে আৰু সহজভাৱে জীৱনলৈ যি আহিছে তাক উপযুক্ত মৰ্যাদা সহকাৰে গ্ৰহণ কৰক। তেতিয়া আপোনাৰ অনুভৱ হ'ব যে হয়,আপুনি সুযোগক কামত খটুৱাই সফলতা লাভ কৰিছে। সকলো লোকে সৎভাৱে পৰিশ্ৰম কৰি বাস্তৱ বুদ্ধিসম্পন্ন হ'লে দেশত এজন সৎ লোকৰ সংখ্যা বাঢ়িব অন্ততঃ ভাল মানুহ হ'ব পাৰিব। আত্মবিশ্বাসী, প্ৰাণ প্ৰাচুৰ্যৰে ভৰপূৰ এজন ভাল ব্যক্তি। ঃঃ

# COMPUTER

**Sri Kalyan Rajbongshi**
*1st semester*

Computer is an electronic device that is designed to work with information. The term computer is derived from the latin term 'Computare' this means to calculate or programmable machine computer can not do anything without a program. It represents the decimal numbers through a strings of binary digits. The word computer useeally refers to the center processor unit plus Internal memory.

Charles Babbage is called the "Grand Father" of the computer. The first mechanical computer desigend by Charlas Babbage was ealled Analytical Engine. It users read-only memory in the from of punch cards.

Computer is an advanced electronic service that takes row data as input from the user and processes these data under the control of set of instructions (Called program) and gives the result (out put) and saves out put for the future use. It can process both numerical and non-numerical (arithmetic and logical) calaculations.

A computer is made up multiple parts and components is that faciliate user functionality. A computer has two primary categories.

* Hardware: Physical structure that houses a computer is processor. memory. storage. communication parts and peripheral device.

* Software: Includes operating system (OS) and software applications.

A computer works with software programms that are sent to its under lying hard ware architecture for reading. Interpretation and execution.

Computers are classified according to computing power. capacity. size,mobility and other factors. as personal Computers (PS).

Desktop computer. Laptop computers, Mini computers. handheld computers and devices. mainframes or supercomputers.

# দুঃ স্মৃতি

**বৰষা বৰ্মন**
*তৃতীয় ষান্মাষিক*

খিৰিকীৰ মাজেৰে স্মিতাই বাহিৰলৈ এক নীৰৱ দৃষ্টিৰে একেথিৰে চাই আছে। তাইৰ মনত পৰিছে আজিৰ পৰা সম্পূৰ্ণ এবছৰ আগৰ তাইৰ জন্মদিনটোৰ কথা। যিটো দিনত আছিল মাথো সুখ আৰু আনন্দ।

ৰাতিপুৱা শুই উঠিয়েই তাই শুনিছিল 'হেপি বাৰ্থডে মাজনী'। স্মিতাৰ মাক-দেউতাকে সেইদিনা তাইক খুব মৰমেৰে বিচনাৰ পৰা উঠাই জন্মদিনৰ শুভেচ্ছা জনাইছিল। স্মিতাৰ দেউতাক এগৰাকী অভিযন্তা আৰু মাক আছিল এগৰাকী গৃহিণী। সেইদিনা তাই স্কুলৰ পৰাই মাক-দেউতাকৰ লগত একেলগে বজাৰলৈ যোৱাৰ কথা। স্মিতাই দেউতাকক ক'লে—"দেউতা, এইবাৰ আপুনি মাক এযোৰ ধুনীয়া চেণ্ডেল দিব লাগিব।" দেউতাকেও তাইক "না" কৰাৰ কোনো কথা নাই। আনহাতে গধূলি তাইৰ বন্ধু-বান্ধৱীবোৰকো মতাৰ কথা। ৯ বজাত স্মিতাই স্কুল

পালে। তাই তাইৰ বান্ধৱী মধু, ৰাণী, নীহাৰিকা, প্ৰিয়াৰ লগতে বন্ধু অৰ্ণৱ আৰু ভাস্কৰক নিমন্ত্ৰণ জনালে। ঠিক ১২ বজাত তাই স্কুল এৰিলে। মাক-দেউতাকৰ লগত তাই স্কুলৰ পৰা বাহিৰে-বাহিৰে বজাৰলৈ গ'ল। জন্মদিনৰ উপহাৰ স্বৰূপে মাক-দেউতাকে তাইৰ কাৰণে এটা ধুনীয়া ফ্ৰক কিনিলে।এতিয়া তাইৰ পছন্দৰ চেণ্ডেল এযোৰ কিনিবলৈ বুলি তেওঁলোকে বজাৰ গৃহৰ পৰা অলপ আঁতৰত থকা চেণ্ডেলৰ দোকানখনলৈ আগবাঢ়িল।

এনেতে কিনো হ'ল! এটি শব্দ তাৰ পাছত জুই আৰু ধোঁৱা চিঞৰ-বাখৰ, বিকট আৰ্তনাদ বুকু কঁপাই গ'ল। এই ক্ষন্তেকৰ ধুমুহাই উৰুৱাই নিলে ক'তজনৰ মুখৰ হাঁহি, হৃদয়ৰ আনন্দ। দি গ'ল মাথো বিষাদ, যন্ত্ৰণা, চকুলো আৰু এজাক নিৰাশাৰ বৰষুণ।

স্মিতাই চকু মেলি চাই অজানিতে চিঞৰি উঠিল 'দেউতা মোৰ চেণ্ডেলযোৰ'। এনেতে তাই তাইৰ ওচৰত বহি চকুলো টুকি থকা পেহীয়েকক দেখি আৰু নিজকে আৱিষ্কাৰ কৰিলে মেড়িকেলৰ এখন সৰু বিচনাত। তাই অনুভৱ কৰিলে এক বিশাল শূণ্যতা। আৰু .... আৰু... তাইৰ ভৰি দুখন! তাই যে আৰু কেতিয়াও চেণ্ডেল পিন্ধিব নোৱাৰিব...। তাই নিৰুপায় হৈ পৰিল আৰু চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে।

স্মিতাই দুচকু জপাই দিলে তাইৰ দুনয়ন সিক্ত। ৩০/১০/২০০৮ এই দিনটোতেই তাই দশম জন্মদিনৰ আয়োজন কৰিছিল। তাইৰ মাক-দেউতাকৰ সৈতে। সেইদিনাৰ পৰা তাইৰ প্ৰতিটো দিনেই হৈ পৰিল নিসংগতাৰে পৰিপূৰ্ণ।


"মাজনী...। আহা ভাত দিছো"। হুইল চেয়াৰত বহি খিৰিকীৰে বাহিৰলৈ চাই থকা স্মিতাক পেহীয়েকে মাত লগালে? তাই ঘূৰি চাই পেহীয়েকৰ বুকুৰ মাজত সোমাই পৰিল। তাইৰ দুচকুত স্পষ্টকৈ জিলিকি উঠিছে এক দুঃস্মৃতি চকুলোৰ ৰূপত..। ঃঃ

Life is the state of nature is solitary, poor, nasty, brutish, and short.

*Thomas Hobbes*

Our incomes are like our shoes, if too small, they gall and pinch us, but if too large, they cause us to strumble and to trip.

*John Locke*



# Whatsapp/ Facebook

পাণ্টন মাৰাক
*পঞ্চম ষান্মাষিক*

বৰ্তমান যুগত আমাৰ কাৰণে Social Networking Website ৰ অতি প্ৰয়োজনীয় হৈ পৰিছে।এই Website বোৰে আমাৰ জীৱনত এনেদৰে প্ৰভাৱ পেলাইছে যে কোনো ব্যক্তিয়ে ইয়াৰ ব্যৱহাৰ নকৰাকৈ থাকিব নোৱাৰে। ভাৰতবৰ্ষৰ বৃহৎ এই Social Networking Website য়ে বহু বছৰৰ পৰা আমাৰ জীৱনৰ মাজত সংযোগ হৈ আছে। এই Website বোৰ ব্যৱহাৰ কৰাৰ ফলত আমাৰ সামাজিক জীৱনত ইয়াৰ কিছু প্ৰভাৱ পৰা দেখা যায়। গতিকে এই Website ৰ ব্যৱহাৰৰ ক্ষেত্ৰত কোনো ব্যক্তিৰ জীৱনত উন্নতি হ'ল আৰু আন কোনো ব্যক্তিৰ জীৱন বুৰ গ'ল। এই

Websiteবোৰ ভালকৈ ব্যৱহাৰ কৰিলে সুফল পায় আৰু বেয়াকৈ ব্যৱহাৰ কৰিলে কুফল পায়। গতিকে যিকোনো Social Networking Website নিয়মীয়াকৈ ব্যৱহাৰ কৰিব লাগে যাতে ইয়াৰ ব্যৱহাৰৰ ফলত কোনো ব্যক্তিৰ জীৱন অন্ধকাৰ নহয়। বিশেষকৈ শিক্ষা গ্ৰহণত ব্ৰতী থকা ছাত্ৰ-ছাত্ৰীসকলে অতি নিয়মীয়াকৈ ব্যৱহাৰ কৰাৰ প্ৰয়োজন। ইয়াত কিছুমান ব্যক্তিয়ে নিজৰ কাৰ্য চলাই উন্নতি কৰি আছে Advertising ৰ জৰিয়তে। আকৌ আন কিছুমানে Fake Account বনাই সমাজত কু-সংস্কাৰৰ প্ৰভাৱ পেলাই আছে।গতিকে ইয়াৰ পৰা আঁতৰত থকাটো উচিত। Social Networking Website ৰ জৰিয়তে আমি অতি দ্ৰুত গতিত কোনো খবৰ বা বাতৰি পাব পাৰো। তথাপিওঁ কিছুমান খবৰ বা বাতৰি ভুৱা অৰ্থাৎ মিছাওঁ হ'ব পাৰে। ইয়াৰ প্ৰয়োগৰ দ্বাৰা নগৰ, বিদ্যালয় আৰু কাৰ্যাস্থল অনুসৰি গঠিত হোৱা Network ত যোগদান কৰিব পাৰি আৰু এজনে আনজনৰ সৈতে সম্পৰ্কত থাকিব পাৰে। Social Networking Websiteয়ে নিজৰ Registered Users ক Allow কৰে Profiles Creat কৰিবলৈ। যাৰ সহায়ত যিকোনো User ৰে নিজৰ বন্ধু বা পৰিয়ালকMessages, Photos, Documents, Voice call আদি পঠিয়াব পাৰি আৰু নিজৰ Friends, family আৰু Colleaguesৰ সৈতে সম্পৰ্কত থাকিব পাৰি। বৰ্তমান বিভিন্ন ধৰণৰ ব্যৱহাৰ কৰা Website ৰ ভিতৰত Facebookআৰু Whats app প্ৰতিজন ব্যক্তিয়ে অধিক পৰিমাণে ব্যৱহাৰ কৰা দেখা যায।

Face book আৰু Whats app হ'ল এটা Free Social Networking Website।2004 চনতMark Zuckerberg যিহেতু সেই সময়ত Harvard Universityৰ Student আছিল। তেওঁ তেতিয়া বন্ধুসকলৰ সৈতে সম্পৰ্কত থাকিবলৈ এটা Website Design কৰিছিল। Mark Zuckerberg য়ে 2005 চনত এইWebsite ৰ নাম Facebookদিছিল। দুজনFounder Brian Acton আৰু Jan Kounয়ে এই Whatsapp Appটো 2009 চনতDesign কৰিছিল। Yahoo Companyৰ দুজন Employees ৰ দ্বাৰা যেতিয়াFacebook ত Interview দিছিল তেতিয়া তাৰ পৰা Reject কৰি দিছিল । পিছত আকৌ এজন Russian Coderৰ সহায়ত ইয়াত বহুখিনি Features Include কৰে যাৰ ফলত ব্যৱহাৰ কৰা ব্যক্তিসকলৰ বাবে Whatsappটো Traditional Messaging Service ৰ তুলনাত অতি জনপ্ৰিয় হৈ পৰিল।

# মানুহৰ চৰিত্ৰ গঠনত নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা

**পূজা বৰা**
*পঞ্চম ষান্মাষিক*

"শিক্ষক এডাল মমবাতিৰ দৰে, যি নিজে জ্বলি আনক পোহৰ দিয়ে।" সঁচাকৈ শিক্ষক এডাল মমবাতিৰ দৰে আৰু সেই মমবাতিৰ পোহৰেই হৈছে শিক্ষা। এই শিক্ষাই যে কেৱল এজন ব্যক্তিৰ হৃদয়ৰ মনিকূটহে পোহৰাই তোলে, তেনে নহয়। ই আলোকিত কৰে এখন ঘৰ, এখন সমাজ আৰু সমাজেই উদ্ভাসিত কৰে উত্তৰ প্ৰজন্মক। দৰাচলতে শিক্ষাৰ উদ্দেশ্য মানুহৰ মন প্ৰশস্ত কৰা, চিন্তা শক্তি বঢ়োৱা, মানসিক উৎকৰ্ষ সাধন কৰা, বুদ্ধিৰ বিকাশ ঘটোৱা, এজন ব্যক্তিক সামাজিক কল্যাণত জড়িত কৰোৱা আৰু শিক্ষাৰ মূল লক্ষ্যটোৱেই হৈছে সমাজক এজন চৰিত্ৰৱান সু-নাগৰিক উপহাৰ দিয়া।

সমাজত সু-মনোবৃত্তি তথা সুস্থ চিন্তাধাৰাৰ শৃংখলাবদ্ধ জীৱন-যাপনৰ আচাৰ-ব্যৱহাৰ আৰু নীতি-নিয়মবোৰ জানিবলৈ নৈতিক শিক্ষাৰ প্ৰয়োজন; কাৰণ জীৱনৰ প্ৰতিটো কৰ্ম অনুশীলনৰ লগে লগে থাকে নিয়ম বা ক্ৰম।

সবাতকৈ গুৰুত্বপূৰ্ণ কথা এয়ে যে নৈতিক শিক্ষাই মানুহৰ চৰিত্ৰ গঢ়ে, যি এজন মানুহৰ আটাইতকৈ দৰকাৰী ভূষণ। যিহেতু মানুহৰ স্বভাৱ-চৰিত্ৰ, মাত-কথা, আচাৰ-ব্যৱহাৰেই তেওঁৰ

চৰিত্ৰৰ পৰিচয় দিয়ে আৰু এইবোৰ বিষয়েই যিহেতু নৈতিক শিক্ষাৰ মূল আলোচ্য বিষয়; গতিকে মানুহৰ চৰিত্ৰ গঠনত নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা অপৰিসীম।

বৰ্তমান সমাজত বহু সময়ত নৈতিকতাৰ স্খলন ঘটা পৰিলক্ষিত হৈছে। যুৱ-উশৃংখলতা, হত্যা, অন্যায়-অবিচাৰ, চুৰ-ডকাইত আদিও ইয়াৰেই ফল। নৈতিক শিক্ষা কোনো ভয় খাবলগীয়া বিষয় নহয়। আমাৰ বহুতৰে ককা-আজোককাসকল প্ৰায় নিৰক্ষৰ। কিন্তু তেওঁলোকেও নীতিমূলক সাধুকথাৰ মাজেৰে আমাক বহুতো কথা শিকায়। সেইদৰে আমাৰ ঘৰখনেই যিহেতু শিক্ষাৰ আচল কঠিয়াতলী। এতেকে এই কঠিয়াতলীও আমি পিতৃ-মাতৃ, ধৰ্মগুৰু, শিক্ষাগুৰুৰ পৰা যি শিক্ষা লাভ কৰিম সেয়াই আমাৰ চৰিত্ৰ গঢ়ি তুলিব।

আমাৰ সমাজ ব্যৱস্থাই নিজক প্ৰতিযোগিতা তথা বিজ্ঞানৰ যুগত সলনি কৰি পেলাইছে। বিজ্ঞানৰ দ্ৰুত উন্নতিয়ে মানুহৰ মন বস্তুবাদী কৰি তুলিছে। ফলত মানুহৰ জীৱনৰ মূল্যবোধ আৰু মানবীয় অনুভূতিৰ সুস্থ বিকাশত বাধাৰ সৃষ্টি কৰে। নৈতিক শিক্ষাই মানুহৰ চৰিত্ৰ গঠনৰ লগত ব্যক্তিৰ সহজাত প্ৰবৃতিবোৰ সু-পৰিচালিত কৰি আচৰণ সমূহ সংশোধন কৰি উচ্চ মানবিশিষ্ট আদৰ্শ, মূল্যবোধ, মানবীয় নুভূতি বিকাশত সহায় কৰে।

তদুপৰি বৰ্তমান সমাজখন ভাৰসাম্যহীন হৈ পৰে। উন্নয়ণ তথা পৰিৱৰ্তনৰ ধামখুমীয়াত পৰাৰ বাবেও মানুহৰ চৰিত্ৰত আজি ঘূণে ধৰিছে। মানুহৰ চৰিত্ৰ গঠনত নৈতিক শিক্ষাৰ নিতান্তই প্ৰয়োজনীয়তা আছে।নিজৰ ভৰিত থিয় হ'বলৈ সক্ষম কৰিব পৰা শিক্ষা প্ৰদান কৰাৰ লগতে আটাইতকৈ দৰকাৰী তথা গুৰুত্বপূৰ্ণ হিচাপে চৰিত্ৰৱান হ'বলৈ শিকায় নৈতিক শিক্ষাৰ যোগেৰে। গতিকে এজন ব্যক্তিৰ চৰিত্ৰ গঠনত নৈতিক শিক্ষাৰ যথেষ্ট প্ৰয়োজন।

No matter how hard the situation is, be yourself.

*Student*

We have become makers of our fate when we have ceased to pose as its prophets.

*Karl Popper*



# মহৎ লোকৰবাণী

কাকো প্ৰৱঞ্চনা বা প্ৰতাৰণা নকৰিবা
কাকো অৱহেলাও নকৰিবা
সাময়িক খং বা উত্তেজনাৰ বশবৰ্ত্তী হৈ
এনে কোনো ধৰণৰ আচৰণ নকৰিবা
যাৰ বাবে তুমি আনৰ দুখৰ কাৰণ হ'বলগীয়া হয়।
মাকে যেনেকৈ নিজৰ সৰ্বস্ব
দিয়ো সন্তানক ৰক্ষা কৰে
সেই মমতা আৰু কৰুণা তুমি
বহন কৰাৰ প্ৰয়াস কৰিবা।
তোমাৰ বন্ধু বা পৰিচিত সকলৰ প্ৰতিয়ে নহয়,
বিশ্ব জগতৰ প্ৰতিটো জীৱৰ
প্ৰতি নিজৰ হৃদয় বহল কৰিবা।
অহিংসা, দ্বেষহীন, সহানুভূতি
প্ৰেম তথা কৰুণা-

# Department of Philosophy
# RESULT-2019



ANU
CHETRI
6.8



S. MEENAKSHI
SARMA
6.6



BHAGYASHREE
BAISHYA
6.6



MEENAKSHI
RAJBONGSHI
6.3

# Some Great Philosophers



*Dr. Sarvepalli Radhakrishnan*



Ramanuja



Ludwig Wittgenstein



Gottfried Wilhelm Leibniz



Chanakya



Swami Vivekananda



Inaugural event of Philosophy Department's Journal 'DRISTI', 2018




WALL MEGAZINE of 2017 of Philosophy Department



Cake Cutting Moment on TEACHER'S DAY 2018




"WORLD PHILOSOPHY DAY" Event 2018



Inaugural event of the 3rd Edition of "SVAJNA",2018



Field Trip to NAZIRAKHAT, 2018



Teacher's of Department Philosophy




Receiving 2nd Prize for Dance Competition on World Philosophy Day



Former Editors of " SVAJÑA "



Dance Competition on World Philosophy Day



At Nazirakhat



Our Mentors